চান্দমামা

এপ্রিল ১৯৯১

100 GLASS PACK
NEW REFRESHING
Rasna
soft drink concentrate
32 GLASS PACK
6 GLASS PACK
Learn to Add and Subtract
জানানে, পৰীক্ষা হ'লে
মোৰ ইমান কিয় ভাল
লাগে ? কাৰণ যেতিয়া
মই খুউব বেচি পঢ়োঁ,
মায়ে মোক দিয়ে
এসোপা মান
ৰসনা... অঁ !
জুতিলগা ৰসনা !
অৰেঞ্জ ■ পাইনএপল ■ লাইম ■ শ্বাহী গুলাব ■ কালা খাট্টা ■ কুল খচ
■ কেশৰ এলাইচী ■ মছলা চোডা (জল জীৰা) ■ টুটী ফ্রুটী ■ মেঙ্গো ৰাইপ
I love you Rasna
প্ৰথম
IS:13019
অনুমোদিত
চফ্‌ট ড্রিঙ্ক
কনচেণ্ট্রেট।
ইয়াত
বি ভি ও নাই।
*কেতবোৰ নিৰ্বাচিত চহৰতহে পোৱা যায়।
Mudra:A:EAMR:5482 Ass

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ ।

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

*

এপ্ৰিল ১৯৯১

এই সংখ্যাত আছে

*

পৃথিৱীৰ খিৰিকীৰে	:	৯	অভিনৱ বৰদান	:	৩৭
সৰ্বশ্ৰেষ্ঠ কাহিনী	:	১১	গপাল-গল্প	:	৪১
দস্যু যুৱৰাজ	:	১৭	বীৰ হনুমান	:	৪৫
দায়িত্ব	:	২৫	ভূতীয়া-ভু	:	৫৩
যোগ্য পুৰস্কাৰ	:	৩১	বাৰেৰে-তেৰেৰে	:	৬০
চান্দমামা ক্ৰোড়পত্ৰ	:	৩৩	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

খনে : ৩·০০ বছৰেকীয়া বৰঙণি ৩৬·০০টকা মাথোন

MAGGI CLUBBERS FUN LOVERS
MAGGI
CLUB
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে, অৰণ্যৰ ৰহস্যই তোমাক হাত বাউল দিছে!
অকণ অকণিহঁত আহা! মেগী ক্লাবত যোগদিয়া আৰু বছৰটো জোৰা ৰং তামাচাত ভাগ লোৱা। নিউজলেটাৰ, উপহাৰ, খেল আৰু অন্যান্য অৰণ্যৰ ৰহস্য ভৰা সমল...
তুমি কেৱল এই টো মেগী নুডলছৰ 5টা খালি পেকেটৰ সন্মুখৰ ফালৰ পৰা কাটি তোমাৰ নাম আৰু ঠিকনা সহ আৰু তোমাক কোনটো উপহাৰ লাগে তাকো লিখি আমালৈ পঠাই দিয়া। যদিহে তুমি মেগী ক্লাবৰ সদস্য তেনেহলে তোমাৰ সদস্য নম্বৰটোও লিখি পঠাবলৈ নাপাহৰিবা। তুমি যদি এতিয়াও মেগী ক্লাবৰ সদস্য হোৱা নাই তেনে হলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা বিৱৰণবোৰ পঠাওঁতেই সদস্যতা কাৰ্ড বিচাৰি লিখিবা। আমি তোমালৈ সদস্যতা কাৰ্ড আৰু উপহাৰটো বিনামূল্যে পঠাম!
আমাৰ ঠিকনাটো :
মেগী ক্লাব,
পোষ্ট বক্স 5788,
নতুন দিল্লী-110055
মেগী অপাৰেশ্বন ৱাইল্ডলাইফ গেমেৰে বন্যপ্ৰাণী ৰক্ষা কৰা।
মেগী যাদু জাংগলত নিজে অৰণ্য বনোৱা।
আৰ্চী কমিক!
KING OF THE JUNGLE
মেগী কিং অব দা জংগল গেমত অৰণ্য জয় কৰা।
TO LET
মেগী বাৰ্ড হাউছ বনোৱা!
বিনামূল্যে
বিনামূল্যে! মেগী 'ৱৰ্ল্ড অব এনিমেল্স' কুইজ পুস্তিকা তুমি গোটোৱা প্ৰতি 3টি উপহাৰৰ বাবে আমি তোমালৈ পঠাম বন্যজন্তুৰ বিষয়ে আমোদজনক আৰু ৰহস্যময় যেন লগা কথাৰে ভৰা মেগী 'ৱৰ্ল্ড অব এনিমেল্স' কুইজ পুস্তিকা – তাকো বিনামূল্যে। প্ৰতিটো খেলতেই বিতং বিৱৰণ পাবা।
MAGGI
2-minute noodles
FAST TO COOK! GOOD TO EAT!
MAGGI CLUBBERS FUN LOVERS
MAGGI CLUB
Name:
Membership no.:
আৰু এটা সুযোগ! যদিহে তুমি লজ অব দা জাংগল গেম লোৱা নাই তেনেহলে এতিয়া গোটোৱা।
HTA 7105ASS

Biku, John, Abik, Salim, All waiting for their birthdays. For their PORSCHE.
Mine was yesterday.
PORSCHE
SAMMO
CHANDAMAMA TOYTRONIX
Mfd. by :
Chandamama Toytronix Pvt. Ltd.
Chandamama Buildings,
188, NSK Salai, Vadapalani,
Madras - 600 026.
STP
Remote-Control PORSCHE Toy Car
• For the first time in India
• Indigenously manufactured
• Design from SAMMO of South Korea
FROM THE HOUSE OF CHANDAMAMA

চান্দমামা

সংস্থাপক : চ ক্র পা ণি বি নাগিৰেড্ডি : সঞ্চালক

প্ৰগতি কি ?

পৃথিৱীৰ সকলো দেশৰ নিজস্ব ইতিহাস আছে। সেই ইতিহাসবৰ কিছুমান দিশ মহৎ, কিছুমান ভাবিবলগীয়া। কিন্তু তথাপি ইয়াত এনেহেন সম্প্ৰদায় কিছুমান আছে, যিসকলক প্ৰকৃত প্ৰগতিৰ সেন্দূৰীয়া আলিলৈ লৈ যাব লাগিব।

আমি আজি স্বাধীন নাগৰিক। কিন্তু প্ৰতিবেশী ৰাজ্য কিছুমানত 'আদৰ্শৰ লাই খুটা বিছু লৰক-ফৰক হোৱা যেন লাগিছে। বিভিন্ন সম্প্ৰদায়ৰ মাজত প্ৰেম বিশ্বাস সৌন্দৰ্য্যত যেনিবা কিঞ্চিত ক.লা চেকাপৰা হৈছে ; কিন্তু ভিন্নতাৰ অৰ্থ তেনেকুৱা হ'ব নালাগে। পঞ্জাৱৰ মানুহসকল তামিলনাড়ুৰ মানুহৰ দৰে জীৱনযাত্ৰা অতিবাহিত নকৰে, বা বংগই বিহাৰক অনুসৰণ নকৰে। কিন্তু এই বৈচিত্ৰ্যৰ সমাহাৰেই ভাৰতবৰ্ষ। বৈচিত্ৰ্যৰ মাজতো ঐক্য যাতে বিনষ্ট নহয়, তাৰ প্ৰতি আমি সজাগ থকাটো অতি আৱশ্যক। কিয়নো ভিন্নতাৰ ভাৱাত্মক বিভিন্নতাৰ ফলত প্ৰগতি বাধাপ্ৰাপ্ত হয়। আমাৰ মাজত যিমানেই ভিন্ন ৰুচি নাথাকক, এই কথাটি মনত ৰাখিব লাগিব :

প্ৰগতিৰ অন্য নাম একতা

বছৰ : ১৬ এপ্ৰিল ১৯৯১ সংখ্যা : ১

খনে : ৩.০০ টকা : বছৰেকীয়া বৰঙণি : ৩৬.০০ টকা

A CHANDAMAMA PUBLICATION

JUNIOR
QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR
QUEST
Where finding out is fun
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 5/-
Sputnik Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

সুৰিনামত আমাৰ নাম

ৰামসেৱক শংকৰ। নামটো আৰু ভাৰতীয় নাম যেন লগা নাইনে? কিন্তু উক্ত নামৰ ব্যক্তিজন সৌ সিদিনালৈকে সুৰিনাম দেশৰ অধ্যক্ষ অৰ্থাৎ সুৰিনাম নামৰ দেশখনৰ ৰাষ্ট্ৰপতি আছিল।

সুৰিনাম হ'ল দক্ষিণ আমেৰিকাৰ উত্তৰ-পূৰ্ব সাগৰতীৰৱৰ্তী অতি বিতোপন এখন দেশ। কিন্তু—ইমান দূৰৱৰ্তী দেশ এখনৰ অধ্যক্ষ তথা ৰাষ্ট্ৰপতি এগৰাকী ভাৰতীয় হয়নো কেনেকৈ?

হয়, সুৰিনামৰ জনসংখ্যাৰ এক-তৃতীয়াংশ ভাৰতীয় বংশোদ্ভূত, এক-তৃতীয়াংশ নিগ্ৰো আৰু ছুলাটো (শ্বেত আৰু নিগ্ৰোজ সন্তান) আৰু বাকীখিনি অন্যান্য। এই অন্যান্যৰ মাজত ইন্দোনেছীয়ইঁতৰ প্ৰাধান্য।

সুৰিনামত ডাচ, স্ৰনাং-ট্যাংগো আৰু জাভা ভাষা সমধিক প্ৰচলিত।

আগতে সুৰিনাম নেদাৰল্যাণ্ডীয় উপনিবেশ আছিল। ১৯৭৫ চনত সুৰিনাম নেদাৰল্যাণ্ডীয় নাগপাশৰপৰা মুক্ত হৈ পৰিপুৰ্ণৰূপে স্বাধীন হ'ল।

পাৰামাৰিবো হ'ল এই সুৰিনামদেশৰ ৰাজধানী। এই দেশখন ১,৬৩,৮২০ বৰ্গ-কিলমিটাৰ বিস্তৃত। জনসংখ্যা মোটামুটি চাৰি লাখ। ধান-খেতিঅন্যান্য খেতি, আৰু খনিজ সম্পদেৰে দেশখন অতি সমৃদ্ধ।

Col. Bouters

Ramsewak Shankar

পৃথিৱীৰ এই সুদূৰ ভূখণ্ডত আমাৰ ভাৰতীয় আত্মজন সকলৰ সম্পৰ্কে মেক্সিকো চৰকাৰৰ দ্বাৰা প্ৰকাশিত মেক্সিকোৰ ইতিহাস'ত কোৱা হৈছে : "... সেই মহাদ্বীপ, যিটো দ্বীপ পাছত আমেৰিকা নামেৰেই চিহ্নিত হৈছে, সেই দ্বীপলৈ পোন প্ৰথমে ভাৰতৰ পূৰ্ব দিশৰপৰা জলপথেৰে ভাৰতীয় অধিবাসী কিছুমান আহিছিল...।"

এই প্ৰবাসী ভাৰতীয়সকল কেৱল সুপ্ৰাচীন কালতে নহয়, সাম্প্ৰতিক কালতো সুৰিনামলৈ নোযোৱা নহয়। এওঁলোকৰ মাজত বহুতেই তাত উচ্চ উচ্চ পদত অধিষ্ঠিত। যেনে—ৰামসেৱক শংকৰ। জগন্নাথ লছমন নামৰ আন এগৰাকী ভাৰতীয় হ'ল সুৰিনাম দেশৰ নেশ্যনাল অ্যাছেম্বলি'ৰ সন্মানিত সদস্য।

স্বাধীন সুৰিনামৰ সংসদত ৫১ গৰাকী সদস্য আছে। সুৰিনামৰ সৈন্যবল শক্তিশালী। এই নৱবৰ্ষৰ কিছুদিনৰ আগতে অধ্যক্ষ শংকৰে পদত্যাগ কৰিলে। প্ৰতিবেদনত কোৱা হৈছে যে—সৈন্য বাহিনীৰ নিৰ্দেশতে তেওঁ পদত্যাগ কৰিবলগীয়া হৈছে। কৰ্নেল বাউটাৰ্স হ'ল সৈন্য বাহিনীৰ অধ্যক্ষ। কিন্তু বাউটাৰ্সে শংকৰৰ অভিযোগ অস্বীকাৰ কৰিছে। কথাখিনি আৰু অধিক স্পষ্ট হোৱা আৱশ্যক।

সৰ্বশ্ৰেষ্ঠ কাহিনী

বহু কালৰ আগতে ধৰ্মসেন নামৰ এজন অতি প্ৰজাপ্ৰিয় ৰজা আছিল। ধৰ্মসেন ৰজাৰ আছিল তিনিজন পুত্ৰ। জ্যেষ্ঠপুত্ৰ আছিল সকলোফালৰেপৰাই যোগ্যৱান আৰু প্ৰজ্ঞাৱান; আন দুজন আছিল প্ৰয়োজনতকৈ কিছু অধিক চালাক-চতুৰ আৰু আমোদপ্ৰিয়।

তিনিও যুৱক হ'ল। আৰু লগে লগে তিনিওৰে মনত ৰজা হোৱাৰ ইচ্ছা জাগিল। ৰজাৰ সভাসদ-পাৰিষদসকলে ৰাজকোঁৱৰহঁতৰ প্ৰকৃত মনোভাব জানি, তিনিওকো বিভিন্নভাবে কাণ-মন্ত্ৰ দিবলৈ ধৰিলে। তিনিও ৰাজকোঁৱৰৰ লগে লগে ৰাজসভাৰ সভাসদ-পাৰিষদহঁতো তিনি ভাগত বিভক্ত হৈ পৰিল।

এইবোৰ কথা-কাণ্ড ৰজা ধৰ্মসেনৰো অগোচৰ হৈ নাথাকিল। ধৰ্মসেনে বহু ভাবে চিন্তা কৰি কৰি এটা সিদ্ধান্তলৈ আহিল। তেওঁ যে তেওঁৰ পুত্ৰকেইজনক সংবুদ্ধিৰে সেও কৰিব নোৱাৰিব—সেই কথাৰ বুজ লৈ, তেওঁ ৰাজপ্ৰাসাদ এৰি অৰণ্যবাসী হ'বলৈ মন মেলিলে। তেওঁ ভাবিলে: ল'ৰা তিনিটাক ভাল বাট লোৱাব পৰা যায় যদি—ৰাণীয়েই পাৰিব, মোৰ দ্বাৰা সেই কাৰ্য নহ'ব।

অৰণ্যত ৰজা ধৰ্মসেনে বাসৱ নামৰ মানুহ এজনক লগ পালে। বাসৱে হেনো তেওঁৰ আত্মীয়-স্বজনৰ উৎপাতৰপৰা ৰেহাই পাবলৈ আৰু শান্তিৰে জীৱন যাপিবলৈ অৰণ্যবাসী হৈছে। অৰণ্যত বাসৱে কুটীৰ এখন সাজি লৈছে।

ৰজা ধৰ্মসেনে বাসৱৰ কথাখিনি আত্মো-

পান্ত শুনাৰ অদ্ভুত আগ্ৰহৰে সুধিলে, "কিন্তু—এনে এক জন-প্ৰাণী নোহোৱা নিমাও-মাও অৰণ্যত আপুনি কিমান দিন থাকিব বুলি ভাবিছে? আপোনাৰ জীৱন অতিষ্ঠ হৈ নুঠিবনে?"

"প্ৰতিজন মানুহেই নিজ নিজ পুত্ৰ-পৰিবাৰক লৈহে জীয়াই থাকে। এই ঘটনাৰ মাজত অতিষ্ঠ হ'বলগা আছেনো কি?" বাসৰে ক'লে।

তেতিয়া ধৰ্মসেনে ক'লে, "মানুহ হ'ল সামাজিক প্ৰাণী। মানুহ যদি মানুহৰ মাজত নাথাকে কেনেকৈনো জীৱন যাপিব? আপোনাৰ ল'ৰা-ছোৱালীহঁত যেতিয়া ডাঙৰ হ'ব—তেতিয়া—মানুহৰ ৰীতি-নীতি নাজানিলে কেনেকৈনো মানুহৰ সমাজত থাকিব?"

"মানুহৰ আও-ভাও, মানৱসমাজৰ ৰীতি-নীতিৰ আলমত, মানুহৰ ভাল-বেয়াৰ বিষয়ে মই কিছুমান সৰু সৰু কাহিনী লিখিছোঁ আৰু এতিয়াও লিখি আছোঁ। মই এইবোৰ মোৰ ল'ৰা-ছোৱালীহঁতক পঢ়ি শুনাম। যিকোনো কথা কাহিনীৰ আকাৰত ক'লে সৰুহঁতে ভাল পায়, বিশ্বাস কৰে, শিকে। এই কথা—পঞ্চতন্ত্ৰৰ কাহিনীত অতিস্পষ্ট। মোৰ এই কাহিনী-বোৰ পঢ়াৰ তথা শিকাৰ পাছত যদি সিহঁতে মানৱ-সমাজত থাকিবলৈ যায়, তেতিয়া সিহঁতে অতি আৰাম-আনন্দৰে জীৱন কটাব পাৰিব বুলি মোৰ বিশ্বাস। যদি মানৱ-সমাজখন সিহঁতে ভাল নোপোৱা হয়, তেতিয়া সিহঁতে নিজে নিজেই পুনৰ এই অৰণ্যজীৱনলৈ উভতি আহিব আৰু তেতিয়াও আৰণ্যক হৈয়েই সিহঁত অতি আৰামতে থাকিব।" বাসৰে মহাৰাজ ধৰ্মসেনক ক'লে।

ৰজা ধৰ্মসেনে তিমানতে বাসৰ-ৰচিত এহেজাৰ কাহিনী শুনিছিল। তেওঁ বাসৰক নমস্কাৰ কৰি ক'লে, "আপুনি হ'ল এগৰাকী অসাধাৰণ ব্যক্তি। আপোনাৰ

ৰচিত কাহিনীসমূহও প্ৰকৃততেই মানৱ-সমাজৰ পক্ষে মহত্বপকাৰী তথা প্ৰয়োজনীয়। আপোনাৰ ৰচিত এই কাহিনীসমূহত মানুহৰ পক্ষে আৱশ্যকীয় বহু বিষয় নিহিত। আনকি—আপোনাৰ ৰচিত কাহিনীসমূহ শুনাৰ পাছত এতিয়া মোৰ নিজৰ সমস্যাৰো সমাধান কৰিব পাৰিম বুলি বোধ হৈছে। আপুনি যদি মোৰ ৰাজ্যলৈ পদাৰ্পণ আৰু মোৰ আতিথ্য গ্ৰহণ কৰে—মই অতি আনন্দিত হ'ম।"

বাসৰে মৃদুকৈ হাঁহি মাৰি ক'লে, "মহাৰাজ, আপোনাৰ মন অশান্ত তথা ক্ষুব্ধ হৈ আছে। এই কাৰণেই হয়তো মোৰ কাহিনী আপুনি ভাল পাইছে। কিন্তু বাস্তৱপক্ষে—মোৰ কাহিনীসমূহ ইমান মূল্যৱান নহয়। মই কেৱল নিজৰ জীৱনৰ অভিজ্ঞতাৰ সমলেৰেহে এইবোৰ ৰচিছোঁ, কোনো নীতিশাস্ত্ৰ বা ধৰ্মশাস্ত্ৰৰ আলমত ৰচা নাই। ৰচোঁতে—এইবোৰ কাহিনীয়ে যে কেতিয়াবা কাৰোবাক কিবা ধৰণৰ শান্তি-সান্ত্বনা দিব পাৰিব — ভবাই নাছিলোঁ। ঘাইকৈ এইবোৰ নিজৰ তৃপ্তিৰ কাৰণেহে ৰচিছিলোঁ। আৰু এবছৰমান মই মোৰ অভিজ্ঞতাৰ কাহিনীসমূহ লিখিম। তাৰ পাছত আপোনাৰ ৰাজ্যলৈ গৈ আপোনাক দৰ্শন কৰিম।"

ধৰ্মসেন নিজ ৰাজ্যলৈ উভতি গ'ল। গৈ — বংশানুক্ৰমিক ৰাজ-প্ৰথা লংঘন কৰি, ৰজাক বংশানুক্ৰমিকভাৱে পতাৰ সলনি একমাত্ৰ প্ৰজাইহে ৰজা নিৰ্বাচিত কৰিব বুলি ঘোষণা কৰিলে। কিয়নো— তাৰ ফলত ৰজা হোৱাৰ আকাংক্ষা থকা-জনে বাধ্যত পৰি জনসেৱা কৰিব লাগিব।

এবছৰৰ অন্তত, ৰজা ধৰ্মসেনক প্ৰদত্ত অংগীকাৰ অনুযায়ী বাসৰে তেওঁৰ পুত্ৰ-কন্যা-পৰিবাৰকো লগত লৈ ৰাজ-দৰ্শনলৈ ওলাল। গৈ গৈ সেই ৰাজ্যৰ নগৰ এখন পালেগৈ বাসৰে আৰু এই নগৰৰ ধৰমশালা এখনত আশ্ৰয় ল'লে। এই ধৰমশালাত

ক'লে, "মহাশয়, ৰজা-মহাৰজাৰপৰা উৎসাহ-প্ৰোৎসাহ নাপালেও ক্ষতি নাই। কিয়নো — মই আত্মতৃপ্তিৰ কাৰণেইহে এইবোৰ লিখিছোঁ। আপুনি—সহস্ৰাধিক কাহিনী ৰচোঁতাই যে মোৰ কাহিনী শুনিছে—এয়ে মোৰ পক্ষে যথেষ্ট। মই আপোনাক নিৰানব্বৈটা কাহিনী শুনালোঁ, এইবাৰ মোৰ কাহিনীৰ মাজত সৰ্বশ্ৰেষ্ঠটো আপোনাক শুনাম। অনুগ্ৰহ কৰি মতামত প্ৰদান কৰি বাধিত কৰিব।"

শুনাৰ অন্তত বাসৰে সামীৰক ক'লে, "বোপা, শেহতীয়া এই কাহিনীভাগত যথেষ্ট কঠিন বিষয়বস্তু থকা যেন পাইছোঁ। অলপ ব্যাখ্যা কৰি কোৱাচোন।"

লগে লগে সামীৰ যেনিবা স্তব্ধ হৈ পৰিল। তাৰ পাছত বাসৰক ক'লে, "তাৰ মানে—মোৰ এই কাহিনী আপোনাৰ মনে-পৰ্শা নহ'ল।"

"বোপা, কেতিয়ানো তেনে কথা ক'লোঁ মই? তেনেকৈ কিয় কৈছা?"

"মই আগতেই আপোনাক কৈছোঁ যে—এই কাহিনীভাগেই হ'ল মোৰ সৰ্বশ্ৰেষ্ঠ কাহিনী। যদি বুজিয়েই পোৱা নাই—নিশ্চয় ই মোৰ এক ব্যৰ্থ ৰচনা।" সামীৰে ক'লে।

"তোমাৰ কাহিনীভাগ নিশ্চয় শ্ৰেষ্ঠ।

সামীৰ নামৰ যুৱক এজনৰ সৈতে বাসৰৰ চিনাকি হ'ল।

সোধ-পোছ কৰি সামীৰে জানি ল'লে যে বাসৰ কোন আৰু কি কামলৈ তালৈ আহিছে। সামীৰে বাসৰক ক'লে, "মহাশয়ৰ দৰ্শন লাভ—মোৰ পক্ষে ভাগ্যৰ কথা। যদি বেয়া নাপায়—এই কথাটি কওঁ—ময়ো এজন কাহিনীকাৰ। মই এতিয়ালৈকে এশ কাহিনী লিখিছোঁ। মোৰ বিনীত অনুৰোধ, মোৰ সেই কাহিনীসমূহ শুনি আপুনি আপোনাৰ নিজস্ব আৰু প্ৰকৃত মতামত প্ৰকাশ কৰিবনে?"

সামীৰে তাৰ কাহিনী পঢ়াৰ অন্তত

কিন্তু তাৰ বিশেষত্ব মইহে বুজিব পৰা নাই। তাৰ কাৰণে ব্যাখ্যা বিচাৰিছোঁ।" বাসৰে সামীৰক ক'লে।

"আপুনি কিজানি মোক উপহাসহে কৰিছে। যদি বুজি নোপোৱা ধৰণেই টান—শ্ৰেষ্ঠ কেনেকৈ হ'ব?" সামীৰে বাসৰক সুধিলে।

"তোমাৰ নিৰনব্বৈটা কাহিনী বুজি পালোঁ, এটাহে নাপালোঁ। এই কথাত বেয়া পাইছা কিয়? —তুমি কি উদ্দেশ্যে এই কাহিনীভাগ লিখিছিলা, কি তাৰ বক্তব্য বুজাই কোৱা।" বাসৰে ক'লে।

"প্ৰতিটো কাহিনীতেই এটাকৈ বক্তব্য থাকিবই লাগিবনে? বক্তব্য বা উদ্দেশ্য বিনে কাহিনী নহ'বইনে? মই কাৰোবাৰ উপকাৰাৰ্থে কোনো উদ্দেশ্য মনত লৈ কাহিনী নিলিখোঁ, শিল্পৰ কাৰণে শিল্প সৃষ্টি কৰোঁ মাথোন।" সামীৰে ক'লে।

সামীৰৰ এই কথাৰ উত্তৰত বাসৰে ক'লে, "মই তো তোমাক—ইমানবোৰ কথা কোৱা নাই, কেৱল—তুমি কি উদ্দেশ্যে লিখিছিলা কাহিনীটো তাকে সুধিছিলোঁ। উদ্দেশ্য এক কথা, বক্তব্য আন; —যেনে, যেনে—কৃষ্ণৰ বাল্যকাহিনীত কৃষ্ণই যে যশোদাক নানান ধৰণে জলা-কলা কৰিছিল—সেই কাহিনী পঢ়ি আমি নিজৰ নিজৰ সন্তানহঁতৰ মাজত যেনিবা সেই কৃষ্ণকে দেখা পাওঁ, দেখি ভাল পাওঁ। এই কৃষ্ণ কাহিনীৰো উদ্দেশ্য এটা নথকা নহয়।"

তেতিয়া সামীৰে ক'লে তেওঁৰ এই কাহিনীভাগৰ উদ্দেশ্যৰ কথা: কিছুমান শিল্পীয়ে এটা মন্দিৰ নিৰ্মাণ কৰি আছিল। এই শিল্পীহঁতৰ মাজত এজন বিশেষ শিল্পীয়ে অদ্ভুত-আচৰিত মূৰ্তি গঢ়িব পাৰিছিল। কিন্তু মন্দিৰৰ মুখ্য শিল্পীজনে ভাল নহয় বুলি কোৱাত শিল্পীজন শিলহেন নিস্পন্দ হৈ পৰিল আৰু ইতিমধ্যে গঢ়া মূৰ্তি নিজেই ভাঙি পেলাই ক'ৰবালৈ গুচি গ'ল আৰু সেই মহান শিল্পী চিৰকালৰ

বাবে হেৰাই গ'ল। —এতিয়া কওক, মোৰ কাহিনীভাগ কেনেকুৱা।"

বাসৰে মৃহুকৈ হাঁহি মাৰি ক'লে, "এই কথাখিনি প্ৰথমেই কোৱা হ'লহেঁতেন ইমান কথা চোবোৱাৰ আৰম্ভণিকেই নহ'লহেঁতেন। যি কি নহওক—মই এই কাহিনী বিষয়ে একো মন্তব্য দিব নোৱাৰিম। মোৰ সততাৰ ওপৰত তোমাৰ নিৰ্ভৰতা নাই।"

তাৰ পাছত বাসৰ ৰজা ধৰ্মসেনৰ ওচৰলৈ গ'ল। বাসৰে ধৰ্মসেনক কথাই কথাই ক'লে, "মহাৰাজ, আপোনাৰ ৰাজ্যৰ কবি-কাহিনীকাৰসকল বৰ অহংকাৰী।"

ৰজা ধৰ্মসেনে বাসৰৰপৰা সামীৰৰ কথা শুনি আচৰিত মানি ক'লে, "মহোদয়, সামীৰ কোন, মই ক'ব ক'ব নোৱাৰোঁ। কিন্তু কোনোবা এজন সাধাৰণ সামীৰৰ কথাত বেয়া পাই আপুনি আমাৰ ৰাজ্যৰ সকলো কবি-কাহিনীকাৰক অপমান কৰাটো উচিতনে?"

বাসৰে মৃহুকৈ হাঁহি মাৰি ক'লে, "মহাৰাজ, সামীৰ সাধাৰণ নহয়, তেওঁ এক মহান কাহিনীকাৰ। এওঁৰ সম্পৰ্কে আপুনি যে একো নাজানে — সেয়া মোৰ মন্তব্যতকৈও অপমানকৰ বিষয়। আপোনাৰপৰা আনুকূল্য তথা আদৰণি নাপাই—এই ধৰণৰ প্ৰকৃত কলাকাৰসকল অতি আত্মনিহিত হৈ থাকে, আৰু মানৱ সমাজলৈ উপেক্ষাৰ দৃষ্টিৰে চায়। সামীৰো তাৰ ব্যতিক্ৰম নহয়। এই বিষয়ে আপুনি সুষ্ঠু পদক্ষেপ নল'লে আপোনাৰ ৰাজ্যত প্ৰকৃত মহৎ শিল্পীৰ জন্ম কেতিয়াও নহ'ব। মহাৰাজ, মনত ৰাখিব—ঠিকমতে ব্যৱহাৰ কৰিব নাজানিলে সঁচি ধনো পঁচি যায়।"

ৰজা ধৰ্মসেনে বাসৰৰ কথাৰ তাৎপৰ্য্য গভীৰভাৱে অনুধাৱন কৰিছিল, আৰু আগলৈ এগৰাকী মহৎ সাহিত্যপ্ৰেমী ৰজা হিচাপে খ্যাতি আৰ্জিছিল।

দস্যু যুবৰাজ

১৮

[আগৰ কথা ঃ ব্যৰ্থতাৰ পিছত ব্যৰ্থতাই বীৰসিংহক জুমুৰি দি ধৰিলে। জয়পুৰীৰপৰা অপহৰণ কৰি অনা কনকদুৰ্গা ইমান কটকটীয়া পহৰাৰ মাজতো মাত্ৰ এটা মানুহেই নোহোৱা কৰি পেলালে, এটা মানুহেই কাঢ়ি নিলে, ৰাজকুঁৱৰী সুন্দৰী সুৰঞ্জা বান্দৰীলৈ ৰূপান্তৰিত হ'ল, আৰু গুপ্তধনৰ মূল্য স্থিৰ কৰিবলৈ অহা বিশাৰদ তথা জহৰীবিলাকেই আটাইখিনি সোণ-মণি-মুকুতা-হীৰা-জহৰত এক অদ্ভুত-অবিশ্বাস্য কৌশলেৰে ডকাইতি কৰি লৈ কফুৰৰ দৰে নোহোৱা হৈ গ'ল। আৰু তাৰ পাছত···]

"মই মোৰ নাতিল'ৰাটিক দেখা পাবলৈ উদগ্ৰ হৈ উঠিছোঁ।" অমৃতপুৰীৰ ৰজাই উৎকণ্ঠিত হৈ ক'লে। অমৃতপুৰীৰ ৰজা হ'ল ৰজা শান্তিদেৱৰ শহুৰদেউতাক। কথাখিনি তেওঁ বসন্তক কৈ আছিল।

"মহাৰাজ, পিতৃৰাজ্য পুনৰুদ্ধাৰ কৰাৰ পাছতহে আপোনাক প্ৰণাম জনাবলৈ যুৱৰাজ সন্দীপ আহিব, এয়ে তেওঁৰ কঠোৰ প্ৰতিজ্ঞা। আৰু—এই কামটি যুৱৰাজ সন্দীপে হেলাৰঙে কৰিব পাৰিব বুলি আমাৰ বিশ্বাস। আমাৰ যুৱৰাজ অতি সাহসী আৰু মহানুভৱ। এতিয়া·· আপোনাৰ আশীৰ্বাদত আমি বীৰসিংহক বোন্দা থেকেচা দিব পৰা হৈছোঁ।" বসন্তই অমৃতপুৰীৰ ৰজাক ভাঙি-পাতি বুজাই ক'লে কথাটো।

“সন্দীপৰ কথা শুনি মই গৰ্বৰোধ কৰিছোঁ। কিন্তু—সুমেধ সাম্ৰাজ্য তথা শান্তিপুৰ ৰাজ্য মহাধূৰ্ত বীৰসিংহৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ ক্ষেত্ৰত মোৰো কিবা কৰ্তব্য নাইনে ?” ৰজাই সুধিলে।

“মহাৰাজ, আপুনি আপোনাৰ কৰ্তব্য যথেষ্টভাবে পালন কৰা নাই জানো ? আমাক—বীৰসিংহৰ বিৰুদ্ধবাদী বিদ্ৰোহী-সকলক কোনেনো যুদ্ধৰ প্ৰশিক্ষণ দিলে ? অমৃতপুৰীৰ সৈন্যবলৰ সহায়তা বিনে আমাৰনো শক্তি-সামৰ্থ্যৰ উৎস কি ? যদিও—এই কথা ঠিক যে—আপোনাৰ সৈন্যবাহিনীৰ সক্ৰিয় সহায় বিনে আমি এতিয়াও সফলতা আৰ্জি নোৱাৰিম।”

অমৃতপুৰীৰ ৰজাই তেওঁৰ সেনাপতি আৰু মন্ত্ৰিবৰ্গক সন্মিলিত কৰি একান্ত গুপ্তভাবে মন্ত্ৰণা কৰিবলৈ বহিল।

*

“পৰ্‌ভু! পুনৰ অলৌকিক ঘটনাহে ঘটিল !” বীৰসিংহৰ চোৰাংচোৰা-প্ৰধানে চোৰৰ দৰে সৰু সৰুকৈ ক’লে।

“অৰ্থাৎ— ?” বীৰসিংহই ভুৰু কোঁচাই চকু ঘোপা কৰি সুধিলে।

“সেই বান্দৰীয়েই পুনৰ সুন্দৰী সুকন্যালৈ ৰূপান্তৰিত হ’ল !” চোৰাংচোৰা-প্ৰধানে ফুচফুচকৈ ক’লে।

“কি !” বীৰসিংহ বহাৰপৰা জাঁপ মাৰি উঠিল, “কথা সঁচা নে ? তাই আছে ক’ত ?”

“তাই জয়পুৰীতে আছে, পৰ্‌ভু !” চোৰাংচোৰা-প্ৰধানে নিমাখিতভাবে ক’লে।

“জয়পুৰীত ! তাই—জয়পুৰীত আছে—আৰু শুই হগা শংকৰবৰ্মাই মোলৈ খবৰ-খাবাৰ নাই পঠোৱা !” বীৰসিংহই বিক্ষুব্ধ কণ্ঠেৰে সুধিলে। আৰু বীৰসিংহই তৎক্ষণাৎ তাৰ ৰাজদৰবাৰৰ অন্যতম প্ৰধান সদস্য এজনক মতাই অনাই ক’লে, “আপুনি এতিয়াই জয়পুৰীলৈ যাওক শংকৰবৰ্মাৰ

সৈতে মই এতিয়াই কঠোৰ ব্যৱহাৰ কৰিবলৈ নিবিচাৰোঁ, কিয়নো — হাজাৰ হওক তাৰ ছোৱালীজনীক মই বিয়া কৰাম। আপুনি ক'বগৈ যে—এইবাৰ মই নিজেই সুকন্যাক লৈ আহিমগৈ, আৰু এইবাৰ মই মুহূৰ্তৰ বাবেও সুকন্যাক এৰি নাযাওঁ। আৰু—এইবাৰ মোৰ লগত এজন যাদুবিদ্যা বিশাৰদো থাকিব—যাতে সুন্দৰী সুকন্যা পুনৰ বান্দৰী নহয়—সেই কথালৈ যাদুবিদ্যাবিশাৰদে মন কৰিব।"

*

সঁচাসঁচিকৈ এগৰাকী বয়সস্থ যাদুবিদ্যা বিশাৰদক লৈ অহা হ'ল।

কিন্তু জয়পুৰীৰপৰা ঘূৰি আহি বীৰসিংহৰ দূতে বীৰসিংহক যি কথা যি বাৰ্তা ক'লে, সেই কথা সেই বাৰ্তা শুনি জালুক খাই তোলা বীৰসিংহই যেনিবা জিঁজিৰি মূৰ খোৱা হ'ল।

খঙৰ ভমকত বীৰসিংহই কৈ উঠিল, "কি! আপোনাক অপমান কৰিলে। কেনেকুৱা অপমান? কথা কি?"

"মহাৰাজ, প্ৰথমতে শংকৰবৰ্মাই মোৰ সৈতে সাক্ষাৎ কৰিবলৈ অস্বীকাৰ কৰিলে। তাৰ উপদেষ্টা বোলা ডিমা এৰা গবৈ এটাই মোক ক'লে যে—" ইমানকে কৈ দূত ৰ'ল।

"কি ক'লে?" অধৈৰ্য্য বীৰসিংহই সুধিলে।

"ক'লে যে—হেৰি—মানে—" পুনৰ ৰৈ দিলে দূতে।

বীৰসিংহই ধঁৰিয়াল চাৰনিৰে চালে দূতৰ পিনে। সেই ঠাণ্ডা চাৰনিৰ চোট সহিব নোৱাৰি বয়সিয়াল দূতজনে কৈয়েই পেলালে। ক'লে যে—বীৰসিংহ নিজেই এটা বান্দৰ। সেইহে বান্দৰী এজনীকে সুকন্যা বুলি ভাবিছিল। আচলতে—সুকন্যা বহু আগতেই ডুলিপেটা বান্দৰ বীৰসিংহৰ মুঠিৰপৰা পলাইছিল আৰু এটা প্ৰশিক্ষিত বান্দৰক তাত থৈ গৈছিল

তোমালোকৰ বান্দৰ বীৰসিংহৰ মাকৰ-আগ-বিয়া পাছ-বিয়া দেখুৱাবলৈ। যোৱা যোৱা — এই কথাখিনিকে বান্দৰ বীৰসিংহক কোৱাগৈ।

"কী—ঈ—ঈ!" কোবাই মৰা জবাই কৰা বীৰসিংহই খঙতে জ্ঞানশূন্যহেন হৈ কঁপি কঁপি ক'বলৈ ধৰিলে, "মই—মই—শঠাই নৰকী শংকৰবৰ্মাক পিহি মাৰিম, সুকন্যাক ডোখৰ ডোখৰকৈ কাটিম, জয়পুৰীৰ প্ৰতিটো ঘৰত জুই লগাই ভস্ম কৰিম। জয়পুৰীৰ আটাইবোৰ বদমাছৰ বুকুত শগুণ পৰা কৰিহে এৰিম। ল'ৰা-বুঢ়া-যুৱতী-কেঁচুৱা—কাকো বাদ নিদোঁ, আটাইবিলাকক মই নিজেই দুহাতেৰে কাটি কাটি খাস্তাং কৰি যমৰ আলহী কৰিম। আনকি জয়পুৰীত এটা গৰু-ম'হ কুকুৰৰ-মেকুৰীও নাথাকিব! জয়পুৰীক মই শ'পুৰী কৰিহে এৰিম। একেবাৰে ক্ষয়পুৰী বনাম, তেহে মোৰ নাম।"

"কথাটো বঢ়িয়ায়েই হ'ব যেন পাওঁ, মহাৰাজ।" দূতে ক'লে।

"আমি এতিয়াই জয়পুৰীলৈ বুলি ৰাওণা কৰিম, আমাৰ যিয়েই নহওক পৰোৱা নকৰোঁ।" উত্তেজিত বীৰসিংহই জ'াপ মাৰি মাৰি ক'লে।

"আমাৰ একমাত্ৰ অৱস্থা এয়ে হ'ব যে — আমি চকুৰ পচাৰতে জয়পুৰীক জয়ৰাম জয়হৰি বুলিব পাৰিম। জয়পুৰী বোলা দুনীয়াত আৰু একো নাথাকিব বুলি ক'ব পাৰিম।" সৰ্পদন্তই সাহসত বুকু বান্ধি কৈ উঠিল।

সৰ্পদন্তক আৰুনো কি লাগিছে? জয়পুৰী অধিকাৰ কৰিব পাৰিলে তাৰ নাম-ডাক বৈ·বৈ যাব, বীৰসিংহই তাক তেতিয়া আৰু ধোদৰ পচলা চিপাদাৰ বুলি নক'ব। আৰু এনে সন্মানেই তাৰ পক্ষে যথেষ্ট হ'ব।

"বঢ়িয়া কথাকে কৈছা। কিয়নো— আমাৰ সঠং জোৰা সৈন্য বপুৰাহঁতে দীৰ্ঘকাললৈ দৰমহাৰ বাদে আন একো হাতেৰে ছুই চোৱা নাই। জয়পুৰীত

লুট কৰিবলৈ দিয়া যদি—সিহঁত সোণে কছা সৰুপানী ছোৰাহঁতে ভালেই পাব। কিন্তু—মূল্যৱান সোণ-মুকুতা-হীৰা-জহৰত যি পাব—আমাক দিব লাগিব বুলি কৈ দিবা আগতীয়াকৈ। তাৰ বাদে সিহঁতে যি লুয় ল'ব। বীৰসিংই ক'লে।

"ঠিক কথা, মহাৰাজ।"

ছাল ছিগা ঢেকুৰা বীৰসিংহই—এইবাৰ তপিনাত গোৰ লগাই নাচিবলৈ ধৰিলে। কিন্তু—দুৰ্বল জয়পুৰীয়ে যে আক্ৰমণৰ আভাস পোৱামাত্ৰেই শক্তিমান অমৃতপুৰীলৈ বিপদৰ বতৰা পঠাব—আনন্দৰ আতিশয্যত তথা উত্তেজনাত সেই কথাটি বীৰসিংহৰ মনতো নপৰিল।

সৰ্পদন্তই তেতিয়া তাৰ সৈন্যবাহিনীক জয়পুৰী আক্ৰমণৰ বাবে প্ৰস্তুত কৰি থাকিল। তেতিয়া, বীৰসিংহ তাৰ নতুন যাদুবিদ্যাবিশাৰদ উপদেষ্টাক সুধিলে, "হেৰি যাদুকৰ, আমাৰ সৈন্যহঁতে দহগুণ বীৰতাৰে যুঁজিব পৰাকৈ—আৰু ভয় খাই হুঁহকি যাতে সিহঁতে সৰুপানী নোছাৰাকৈ থাকিব পাৰে তাৰ বাবে কিবা কৰি দিব পাৰিবনে?"

যাদুকৰে তাৰ দীঘল দাড়ি কোচাত হাত ফুৰাই মুচুককৰে হুঁহি মাৰিলে আৰু ক'লে, "মহাৰাজ, মইতাতোকৈ ভাল উপায়

দিব পাৰোঁ। মই ঘোঁৰাবিলাকৰ খাদ্যত এবিধ এনে যাদু-দৰৱ মিহলাই দিম—যাৰ ফলত ঘোঁৰাবিলাকে কোনো অৱস্থাতেই ভয় নাখাব, আনকি বান-পানী বা জুইলৈকো ভয় নাখাব। —যদি ঘোঁৰাবিলাকে হুঁহকা নিদিয়ে তেনেহ'লে ঘোঁৰ চোৱাবীৰবিলাকে কেনেকৈনো হুঁহকা দিব কওকচোন মহাৰাজ?"

"চা—ব্‌ বাইচ! ইয়াকে বোলে বিচাৰদ।" বাঢ়েটোকা বীৰসিংহ কৈ উঠিল।

গধূলিৰ আগে আগে বীৰসিংহ সৰ্প-দন্তইত সসৈন্যে জয়পুৰীৰ সীমা পালেগৈ।

ইয়াত যাদুকৰে ঘোঁৰাবিলাকক খাদ্যৰ লগত যাদু-দৰৱ মিহলাই খুৱালে আৰু বীৰসিংহক ক'লে, "হুজুৰ! কালিলৈ পুৱাৰ পৰতে কিমান যে মজা চাব! এটা ঘোঁৰাই পাঁচটাৰ সমান কাম কৰিব।"

•

ৰাতি পুৱাল আৰু লগে লগে বীৰসিংহই জয়পুৰীলৈ আগুৱাই গৈ থাকিল। বীৰসিংহৰ কাষে কাষে সৰ্পদন্তইয়ো কদমত গৈ থাকিল।

কিন্তু বীৰসিংহই নিজৰ ঘোঁৰাটোক নিয়ন্ত্ৰণ কৰিবলৈকো বৰ টান পালে। প্ৰথমৰ ফালে — ঘোঁৰাটো ইমান তেজী-তজৱজীয়া হৈ উঠাত বীৰসিংহই ভালেই পাইছিল; কিন্তু ঘোঁৰাটোৱে যেতিয়া চাব কটা খোজত অস্বাভাৱিক ভাবে চলিবলৈ আৰু চিঞৰিবলৈ-হুঁহিবলৈ ধৰিলে, তেতিয়া সৈন্যই ঘোঁৰাবিলাকৰ এনেহেন বল্গিয়া খোজ আৰু খিয় জাঁপ মৰা দেখি বপুৰা বীৰসিংহই প্ৰমাদ গণিলে।

"আ—গ বাঢ়া, আৰু সময় নাই!" বীৰসিংহই সৈন্যইতক উদগাবলৈ চিঞৰ ধৰিলে আৰু চাওঁতে চাওঁতে শংকৰবৰ্মাৰ দুৰ্গৰ কাষ চাপিল। কিন্তু যেতিয়া বীৰসিংহই শংকৰবৰ্মাৰ দুৰ্গ চাৰিওফালৰপৰা আগুৰি ধৰিবলৈ চেষ্টা কৰিলে, তেতিয়া ঘোঁৰাবিলাক একেবাৰে বলিয়া হৈ উঠিল। ঘোঁৰাবিলাকে সিহঁতৰ পিছঠেঙৰ ওপৰত থিয় হৈ আগঠেংবোৰ দাঙি যেনিবা ছাৰ্কাছ দেখুৱাবলৈ আৰু মুখেদি ফেন উলিয়াই মৰ-চিঞৰ মাৰিবলৈ ধৰিলে। সিহঁতে সিহঁতৰ চোৱাৰী তথা সৈন্যবিলাকক কিছুমানক ৰিকাপিৰপৰা ওফৰাই পেলালে আৰু কিছুমান ঘোঁৰাবিলাকৰ গাত বাদুলিৰ দৰে তলমুৱা হৈ ওলমি থাকিল।

"এইবোৰ কি হৈছে? যাদুকৰে কি কৰিলে?" বীৰসিংহই চিপাদাৰ সৰ্পদন্তক উদ্বিগ্নভাবে সুধিলে। বীৰসিংহ আৰু সৰ্পদন্তৰো অৱস্থা প্ৰায় সেই, প্ৰায়

ওলোমা-বাদুলিৰ দৰেই।

"হেই বদমাছটো! এইফালে চা!"

এই কণ্ঠস্বৰ বীৰসিংহৰ চিনাকি চিনাকি যেন লাগিল। বীৰসিংহই ইফালে-সিফালে চাই দুৰ্গৰ ধনুভিত্তীয়া প্ৰাচীৰৰ ওপৰত থিয় হৈ থকা সেই যাদুকৰক দেখা পালে।

"মোক চিনি পাইছনে?" দীঘল দাঢ়ীয়াই দাড়ি কোচা আৰু মূৰৰ টুপিটোও সোলোকাই পেলালে।

"তুমি!" বীৰসিংহই চিঞৰ দিলে, "তুমি—যাদুকৰৰ ভেশছন লৈ শান্তিদেৱৰ বুঢ়া মন্ত্ৰীটোৱে মোক ভাঁৰিল!"

"ওঁ—ওঁ, তোমাৰ ঘোঁৰবিলাকক দৰব খুৱাই বলিয়া কৰিলোঁ, ভাঁৰিলোঁ। কিন্তু মহাৰাজ শান্তিদেৱৰ প্ৰতি তোমাৰ ষড়যন্ত্ৰতকৈ নিশ্চয় ডাঙৰ অপৰাধ মই কৰা নাই। যেই কি নহওক—এতিয়া তোমাৰ সৈন্যইতক আত্মসমৰ্পণ কৰিবলৈ কোৱা, নহ'লে আটাইবোৰকে যমৰ আলহী কৰা হ'ব।" যাদুকৰৰূপী মহাৰাজ শান্তিদেৱৰ সেই বৃদ্ধ মন্ত্ৰীয়ে ক'লে।

"যমৰ আলহী? হাঃ হাঃ—হাঃ! তুমি আৰু সেঁই শুই হগা শংকৰবৰ্মাই! হাঃ হাঃ!" বীৰসিংহই হোহোৱাই হাঁহিবলৈ ধৰিলে।

"বীৰসিংহ! চকু মেলি চোৱা!"

বীৰসিংহই দেখা পালে যে — এক বিশাল সৈন্যবাহিনীয়ে সিহঁতক চাৰিও-ফালৰেপৰাই আগুৰি ধৰিছে। কোনো-পিনে পলাবৰ উপায়ো নাই। যিপিনে চায়—সেইপিনই অমৃতপুৰীয়া সৈন্য!

দুৰ্গৰ ওখ চালৰ ওপৰত থিয় হৈ শংকৰবৰ্মাই বীৰসিংহক ক'লে, "বীৰসিংহ, মহাৰাজ শান্তিদেৱৰ একমাত্ৰ পুত্ৰ যুৱৰাজ সন্দীপৰ বুদ্ধিমত্তে অলপো প্ৰতিৰোধ নকৰাকৈ আমি তোমালোকক ফান্দত পেলাব পাৰিছো। তোমাৰ, সৰ্পদন্তৰ বা তোমালোকৰ সৈন্যইতৰো আৰু নিস্তাৰ নাই। আহা, দুয়োখন হাত ওপৰলৈ

দাঙি আগুৱাই আহঁ', জীৱনৰ মায়া আছে যদি—আত্মসমৰ্পণ কৰাঁ।" তাৰ পাছত শংকৰবৰ্মাই বীৰসিংহৰ সৈন্যহঁতলৈ চাই ক'লে, "শান্তিপুৰৰ সৈন্যসকল! তোমালোকে তোমালোকৰ মন গ'লে যুদ্ধ কৰিব পাৰা, আৰু নহ'লে তোমালোকে শান্তিপুৰ ৰাজ্যৰ প্ৰকৃত উত্তাধিকাৰী আমাৰ যুৱৰাজ সন্দীপৰ নামত জয়ধ্বনি দিয়া। এই যুৱৰাজ সন্দীপেই হ'ল শান্তিপুৰ ৰাজ্যৰ প্ৰকৃত ৰজা।"

"যুৱৰাজ সন্দীপ দীৰ্ঘজীৱি হওক!" বীৰসিংহৰ সৈন্যহঁতে সমস্বৰে কৈ উঠিল, আৰু সিহঁতে নিজ নিজ হাতৰপৰা অস্ত্ৰ:বাৰ দলিয়াই পেলালে। অৰ্থাৎ—বীৰসিংহৰ সৈন্যহঁতে স্বেচ্ছাই আত্মসমৰ্পণ কৰিলে আৰু যুৱৰাজ সন্দীপক ৰজা হিচাপে মানি ল'লে।

তেতিয়া—নিৰুপায় বীৰসিংহ আৰু সৰ্পদন্তয়ো হাত দুখন ওপৰলৈ দাঙি দিলে। বীৰাজপা বীৰসিংহ তলমুৰ হ'ল।

এই ঘটনাৰ কিছুদিনৰ পাছত ৰজা সন্দীপে ৰাজকুঁৱৰী সুকন্যাক বিয়া কৰাই সুকলমে ৰাজত্ব চলাবলৈ ধৰিলে। পাছত জয়পুৰী, অমৃতপুৰী ৰাজ্য দুখন শান্তিপুৰ ৰাজ্যৰ লগত লগ লাগি এক বিৰাট বিশাল সুমেধ ৰাজ্যৰ সৃষ্টি হ'ল। সেই সুমেধ—অৰ্থাৎ একালৰ মহাৰাজ শান্তিদেৱৰ শান্তিপুৰ ৰাজ্যৰ সীমা বিস্তৃত হৈ সুমেধ সাম্ৰাজ্যৰ সৃষ্টি হ'ল। শাসনকাৰ্য্যৰ সুবিধাৰ্থে এই বৃহৎ সাম্ৰাজ্যক চাৰিভাগেৰে বিভক্ত কৰা হ'ল। সেই শাসন আছিল প্ৰজাৰ নিৰ্বাচন-ভিত্তিক তথা প্ৰজাৰ বাবে প্ৰজাৰদ্বাৰা গণতান্ত্ৰিক শাসন-ব্যৱস্থা। জগতৰ প্ৰথম গণতান্ত্ৰিক শাসনৰ প্ৰচলন-কৰোঁতা তথা গণতান্ত্ৰিক প্ৰথাৰ প্ৰথম সুশাসক হিচাপে মহাৰাজ সন্দীপৰ নাম আজিও অমৰ হৈ আছে। [অন্ত]

দায়িত্ব

অটল প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্যই পুনৰ সেই মৃতদেহটো গছৰ ডালৰপৰা নমাই আনি, কান্ধত পেলাই লৈ, একমনে ঘোৰ অন্ধকাৰৰ বুকু ফালি ফালি শ্মশানলৈ বুলি গৈ থাকোঁতে শ'টোৰ মাজত থকা বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্, তুমি যে কৰ্তব্যপৰায়ণ মানৱ, সেই কথাত মোৰ সন্দেহ নাই। কিন্তু কেতিয়াবা কেতিয়াবা বিশেষ দায়িত্বৰ কথা ভাবি কৰ্তব্যপৰায়ণসকলে সামান্য ভুলতে মৰ্য্যাদা হেৰুৱাবলগা হয়। এই বিষয়ে তোমাক শ্ৰীকান্তৰ কাহিনী কওঁ শুনা। শ্ৰীকান্তৰ সাহসিকতাপূৰ্ণ তথা কৰ্তব্যপৰায়ণতাৰ কাহিনী শুনি গৈ থাকিলে আন লাভ নহ'লেও তোমাৰ এই পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে শ্ৰীকান্তৰ সেই কাহিনী ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'

কীৰ্তিকামী ৰাজ্যত কিষণগঞ্জ নামৰ সৰু এখন গাঁও আছিল। এই গাঁৱত শ্ৰীকান্ত নামৰ অনাথ এজন যুৱক আছিল। গাঁৱৰ ৰাইজেই শ্ৰীকান্তক তাৰ সৰু বয়সত চোৱা-মেলা কৰিছিল। কিন্তু যেতিয়া সি কিছু ডাঙৰ হ'ল, তেতিয়াৰেপৰাই সি নিজৰ শ্ৰমৰে পেট প্ৰৱৰ্তাব ধৰিলে।

ধৈৰ্য্য আৰু সাহসিকতাত শ্ৰীকান্ত হৈ উঠিছিল অদ্বিতীয়। তাৰ দেহৰ শক্তিৰো পৰিমাপ কৰা টান। সি অকলেই দহজন শক্তিমানৰ বিৰুদ্ধে যুঁজিব পাৰিছিল।

এবাৰ এই গাঁৱৰ নিচেই কাযত থকা হাবিৰপৰা বাঘ এটা গাঁৱত সোমাই গাঁৱৰ গৰু-ছাগলীৰ তো কথাই নাই, আনকি মানুহকো ধৰি লৈ যাবলৈ ধৰিলে। গাঁৱৰ ৰাইজ বাঘৰ ভয়ত ঘৰৰ বাজ নোহোৱা হ'ল। কিন্তু শ্ৰীকান্তই তাৰ কুঠাৰখন কান্ধত লৈ সেই বাঘে পোৱালি পোৱা হাবিলৈ আগৰ দৰেই খৰিকাঠ কাটিবলৈ গৈ থাকিল।

এদিন—শুকান ঠাল-ঠেঙুলি কাটোঁতে এজনী ছোৱালীৰ আৰ্তনাদ শুনি গছৰ ওপৰৰপৰা শ্ৰীকান্তই ঘূৰি চালে। এই ছোৱালীজনীৰ পিছে পিছে বিৰাট বাঘ এটা খেদি আহিছিল।

এই দৃশ্য দেখি শ্ৰীকান্ত গছৰ ওপৰৰ-পৰা কুঠাৰখন লৈ পোনছাটে তললৈ জুপিয়াই পৰিল একেবাৰে বাঘৰ মুখৰ আগত। তাৰ চকুৰ আগত কুঠাৰ হাতত মানুহ এটাক দেখা পাই বাঘটো ভেবা-চেকা খাই গ'ল। বাঘটোৱে নেগুৰ মোকোটাই নেগুৰ ছিগা লৰ দি পলাবলৈ ধৰোঁতেই শ্ৰীকান্তই তাৰ কুঠাৰেৰে বাঘটোক ঘপিয়াই মাৰিলে।

শ্ৰীকান্তৰ এই অসম সাহসৰ কথা গৈ গৈ কীৰ্তিকামী ৰাজ্যৰ ৰজা অভিসাৰদেৱৰ কাণতো পৰিল। ৰজাই শ্ৰীকান্তক মতাই নি সিদিনাৰেপৰাই তেওঁৰ অধীনত চিপাহীৰ চাকৰিত মকৰল কৰিলে।

কেইবছৰমানৰ পাছত প্ৰতিবেশী সুমগন্ধ ৰাজ্যৰ ৰজা কালকেতুৱে অকাৰণেই কীৰ্তিকামী ৰাজ্যৰ ওপৰত আক্ৰমণ কৰিলে। অনিচ্ছাকৃতভাৱে ৰজা অভিসাৰ যুদ্ধত সাঙোৰ খাই পৰিল। যুদ্ধ চলি থাকিল। কেইদিনমান যুদ্ধ চলি থকাৰ অন্তত এদিন ৰজা অভিসাৰ আৰু কালকেতু পৰস্পৰৰ সন্মুখীন হৈ পৰিল। দুয়োজন ৰজাই তৰোৱাল-যুদ্ধ কৰি থাকিল।

এসময়ত ৰজা অভিসাৰ কাবু হৈ পৰিল। ৰজা কালকেতুৱে ৰজা অভিসাৰক বধিবলৈ তেওঁৰ ডিঙিলৈ টোঁৱাই তৰোৱাল দঙা মাত্ৰকে ক'ৰবাৰপৰা ধুমুহাৰ দৰে আহি শ্ৰীকান্তই কালকেতুৰ হাতৰ তৰোৱাল তাৰ তৰোৱালেৰে ওফৰাই পেলালে আৰু কালকেতুৰ ডিঙিত তৰোৱাল হেঁচি ধৰি ক'লে, "ৰজা কালকেতু, এতিয়া পৰাজয় স্বীকাৰ কৰক!"

যুদ্ধৰ বিষয়ে শ্ৰীকান্তৰ কোনো জ্ঞান নাছিল। কেৱল বুদ্ধি আৰু আত্মবিশ্বাস তথা সাহসৰ বলতহে শ্ৰীকান্তই মহাৰাজ অভিসাৰক জীৱন্ত মৃত্যুৰ গৰাহৰপৰা ৰক্ষা কৰিব পাৰিছিল।

পাছত—মহাৰাজ অভিসাৰে তেওঁৰ ৰাজসভালৈ মতাই আনি শ্ৰীকান্তক যথা-যোগ্যভাৱে পুৰস্কৃত কৰাৰ কথাৰ প্ৰস্তাৱ উত্থাপন কৰাত শ্ৰীকান্তই ক'লে, "মহাৰাজ, মই কৰা কামটো যিকোনো কৰ্তব্যসচেতন চিপাহীয়েই কৰিলেহেঁতেন। গতিকে—মোৰ এই সাধাৰণ কৰ্তব্যকৰ্মৰ বাবে কোনো বিশেষ পুৰস্কাৰ লোৱাৰ অধিকাৰ মোৰ আছে বুলি মই নাভাবোঁ।"

ৰজা অভিসাৰে শ্ৰীকান্তক নিজৰ দেহৰক্ষী হিচাপে নিযুক্ত কৰিলে।

এই ঘটনাৰ দুবছৰৰ অন্তত কীৰ্তিকামী ৰাজ্যক প্ৰচণ্ড খৰে কোবাই গ'ল। বৰষুণ একেবাৰে নোহোৱাত ৰাজ্যত ভয়ংকৰ আকালে দেখা দিলে। এই অৱস্থাক কেনেকৈ ভেটিব—মহাৰাজে বহু চিন্তা

এই কাম সহজেই কৰিব পাৰিম। আমাৰ ৰাজ্যত বৰষুণৰ বাবে প্ৰাৰ্থনা জনাই মই গোসাঁনীৰ ওচৰত আত্মাহুতি দিম।"

শ্ৰীকান্ত গ'ল সেই মন্দিৰলৈ। মন্দিৰত কালী গোসাঁনীৰ মূৰ্তিৰ কাষত এপাট ত্ৰিশূল ৰাখি থোৱা আছিল। শ্ৰীকান্তই গোসাঁনীক সাষ্টাংগে প্ৰণাম কৰিলে আৰু কৰযোৰে ক'লে, "আই গোসাঁনী! জগজ্জননী! মই তোমাৰ ওচৰত আত্মাহুতি দিম, আই! তুমি আমাৰ ৰাজ্যত বৰষুণ দিয়া, খেতি-পথাৰবোৰ শস্যেৰে ওপোচাই দিয়া, আই!" এই বুলি কৈ, শ্ৰীকান্তই তাত থকা সেই ত্ৰিশূলপাট নিজৰ বুকুত বিদ্ধ কৰিবলৈ ল'লে।

লগে লগে গোসাঁনীয়ে ক'লে, "বোপা শ্ৰীকান্ত, তুমি স্থিৰ হোৱা। তোমাৰ নিচিনা ত্যাগীৰ বলিদান মই নিবিচাৰোঁ। তোমাৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলোঁ। তুমি তোমাৰ কৰ্মস্থললৈ উভতি যোৱা।"

পাছ মুহূৰ্ততে সেই ত্ৰিশূলপাটৰপৰা অত্যুজ্জ্বল অগ্নি- স্ফুলিংগ ওলাই আকাশলৈ প্ৰধাৱিত হ'ল, আৰু চাওঁতে চাওঁতে ডাৱৰে আকাশ ছানিলে, মেঘে গাজিলে, ধুমুহা বলিলে, বৰষুণ নামিল, আৰু মুষলধাৰ বৰষুণে সঁতা ধৰিলে।

ৰাজসভাত মহাৰাজ অভিসাৰে খোলা-

কৰিও ভাবি উলিয়াব নোৱাৰিলে।

তেতিয়া এদিন ৰাজ্যৰ বিখ্যাত জ্যোতিষী বিশালাক্ষই মহাৰাজ অভিসাৰক ক'লে, "মহাৰাজ! আমাৰ ৰাজ্যৰ দক্ষিণ সীমাত থকা জাগ্ৰত কালী গোসাঁনীৰ মন্দিৰত থকা শিলালিপিত লিখিত থকা মতে—কোনোবা সাহসীয়ে যদি নিজক গোসাঁনীৰ ওচৰত উছৰ্গা কৰে, অৰ্থাৎ নিজক নিজেই গোসাঁনীৰ ওচৰত বলি দিয়ে—তেনেহ'লে ৰাজ্যখন আকালৰ কবলৰপৰা ৰক্ষা কৰিব।"

কথাষাৰ শুনি মহাৰাজ অভিসাৰৰ প্ৰধান দেহৰক্ষী শ্ৰীকান্তই ক'লে, "মহাৰাজ,

খুলিকৈ অকপটে শ্ৰীকান্তৰ এই কাৰ্যৰ শলাগ ল'লে আৰু ক'লে, "শ্ৰীকান্ত, তোমাৰ এনে নিডৰ-নিৰ্ভয় আৰু আত্মত্যাগপূৰ্ণ সাহসিক কাৰ্য্যৰ ফলত আমাৰ ৰাজ্যখন এক ভয়ংকৰ বিপৰ্য্যয়ৰপৰা ৰক্ষা পৰিল। মই তোমাক আমাৰ ৰাজ্যৰ এঠাইত সামন্ত ৰজা হিচাপে অভিষিক্ত কৰিম বুলি স্থিৰ কৰিছোঁ।"

শ্ৰীকান্তই ক'লে, "মহাৰাজ! আপোনাৰ নগণ্য সেৱক হৈ আছোঁ, সেৱকেই হৈ থাকিম। সামন্ত ৰজা বা ৰজা হোৱাৰ সামান্যতম ইচ্ছাও মোৰ মাজত নাই।"

এই কথাত অতি তুষ্ট হৈ মহাৰাজে তেওঁৰ জীয়েকৰ অৰ্থাৎ ৰাজকুঁৱৰীৰ প্ৰধানা সখিয়েকৰ সৈতে শ্ৰীকান্তৰ যোৱা পাতি দিলে।

তাৰ পাছত পাঁচবছৰমান পাৰ হ'ল। শ্ৰীকান্ত এতিয়া তিনিটা ল'ৰা-ছোৱালীৰ পিতৃ, সাংসাৰিক দায়িত্বসম্পন্ন মানুহ।

এনেতে এদিন এক বাতৰি বিয়পি পৰিল। শুনি মহাৰাজ অভিসাৰো অত্যন্ত উদ্বিগ্ন হৈ উঠিল। কীৰ্তিকামী ৰাজ্যৰ সীমান্তৱৰ্তী অটব্য অৰণ্যত ত্ৰিজট নামৰ নৰখাদক মানুহেইনে ৰাক্ষস ক'ৰবাৰপৰা আহিছে আৰু সি এই ৰাজ্যৰ গৰু-ম'হ বনৰীয়া হাতী-বাঘ আনকি মানুহো ধৰি

ধৰি গিলি পেলাইছে।

মহাৰাজ অভিসাৰে পূৰ্ণ ৰাজসভাত এই অভাৱিত ভয়ানক ঘটনাৰ বিবৰণ প্ৰদান কৰাৰ অন্তত ক'লে, "ত্ৰিজট ৰাক্ষসক বধ কৰিবলৈ এতিয়াই সৈন্যবাহিনী প্ৰেৰণ কৰিব পাৰোঁ; কিন্তু তাৰে বিপুল সৈন্যক্ষয় হোৱাৰ আশংকা। গতিকে—ত্ৰিজটক যে আন কি উপায়েৰে ধৰিব বা বধিব পৰা যায়—আপোনোসৱে পৰামৰ্শ দিয়ক।"

স্বাভাৱিকতে সকলোটিৰ দৃষ্টি নিবদ্ধ হ'ল শ্ৰীকান্তৰ ওপৰত। স্বয়ং মহাৰাজৰো। সভাস্থ সকলোটিৰ মনোভাৱৰ উমান লৈ মহাৰাজ অভিসাৰে শ্ৰীকান্তক ক'লে,

"শ্ৰীকান্ত, তুমি বহুতো অসমসাহসিক কাৰ্য্য কৰিছা, আমাক—অৰ্থাৎ আমাৰ ৰাজ্যক ভয়াবহ আকালৰ গৰাহৰপৰা কৰিছা। এইবাৰো তুমিয়েই আমাক এই নামৰ ভয়ংকৰ ত্ৰিজট নৰখাদকটোৰপৰা ৰক্ষা কৰিবানে?"

শ্ৰীকান্তই ক'লে, "ক্ষমা কৰিব মহাৰাজ! মই নোৱাৰিম।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "ৰাজন! অসীম সাহসী শ্ৰীকান্তই কিয় এই কাৰ্য্য কৰিবলৈ অস্বীকাৰ কৰিলে? এই শ্ৰীকান্তই এহাতেৰে বনৰজাক বধিছিল, তৰোৱালেৰে ৰজা কালকেতুক পৰাস্ত কৰি মহাৰাজ অভিসাৰক জীয়া মৃত্যুৰ কবলৰপৰা ৰক্ষা কৰিছিল, ৰাজ্যৰ আপামৰ প্ৰজাক ৰক্ষাৰ কামনাৰে নিজক কালী গোসাঁনীৰ ওচৰত আহুতি দিবলৈ ওলাইছিল। তেনেবোৰ কাম কৰা স্যাহসী শ্ৰীকান্তই কিয়নো এনে অবিবেকী আচৰণ কৰিলে? জানিও যদি মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "শ্ৰীকান্ত অকল-শৰীয়াকৈ হৈ থকা কালত বিবোৰ দুঃসাহসিক কাৰ্য্য কৰিব পাৰিছিল, স্বামী হিচাপে, পিতৃ হিচাপে—আগৰ দৰে দুঃসাহস প্ৰদৰ্শন কৰা তাৰ প ক্ষ অসম্ভৱ হৈছিল। অকলশৰীয়া অৱস্থা আৰু সাংসাৰিক হোৱাজনিত অৱস্থাৰ মাজত বিস্তৰ আৰু বাস্তৱ প্ৰভেদ। গতিকে—ত্ৰিজটক বধিবলৈ গৈ নিজেও বধ হোৱাৰ আশংকা থকাত শ্ৰীকান্তই এনে হঠকাৰী কাৰ্য্যৰপৰা নিবৃত্ত হোৱাত তাক অবিবেকী বুলি কোৱা নাযায়।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

যোগ্য পুৰস্কাৰ

সুপ্ৰাচীন কালৰ কথা। এগৰাকী উদাৰচিতীয়া ৰজাৰ এজন দুখীয়া কৃষক বন্ধু আছিল। ছোহন নামৰ এই কৃষক বন্ধুৰ জুপুৰি ঘৰটো আছিল হাবিৰ কাষত। ৰজাই যেতিয়া চিকাৰলৈ ওলাই-ছিল, তেতিয়া চিকাৰৰ অন্তত পুনৰ ৰাজধানীলৈ উভতি যোৱাৰ আগতে কৃষক ছোহনৰ ঘৰলৈ ৰজাই পদাৰ্পণ কৰিছিল। কৃষকৰ পৰিবাৰে ৰজাক প্ৰায়েই মধুৰিমূল নামৰ বনত ওপজা এবিধ অতি সোৱাদ আৰু মিঠা কন্দ ভাজি খাবলৈ দিছিল আৰু ৰজায়ো তৃপ্তিৰে খাইছিল।

এদিন কিবা এটা কামত ছোহন ৰাজ-ধানীলৈ বুলি ওলাল। তেতিয়া এটা টোপোলাত ভালেখিনি মধুৰিমূল বান্ধি ছোহনৰ হাতত গটাই দি পৰিবাৰে ক'লে, "এইখিনি মধুৰিমূল মহাৰাজ দিব।"

ছোহনে মধুৰি মূলৰ টোপোলাটিৰে সৈতে ৰাজধানীলৈ বুলি খোজ বঢ়ালে। কিছু দূৰলৈ আগুৱাই যোৱাৰ পাছত ছোহনে নিজেই এটি দুটিকৈ সৰু সৰু মধুৰি-মূল খাবলৈ ধৰিলে। অন্তত থাকিলগৈ —মাত্ৰ এটা বিৰাট আকাৰৰ মধুৰিমূল। সেইটো সি আৰু নাখালে।

ছোহন পোনে পোনেই ৰাজসভালৈ গ'ল। মহাৰাজ তেতিয়া ৰাজ-দৰবাৰতে বহি আছিল। ছোহনক দেখা পাই আৰু লগতে বিৰাট আকাৰৰ মধুৰিমূলটো চাই মহাৰাজ পৰিতুষ্ট হ'ল। মহাৰাজে আনন্দৰে তেওঁৰ দেহৰক্ষী এজনৰ হাতত মধুৰিমূলটো দিলে আৰু ক'লে, "তুমি এই মধুৰিমূলটো অ মাৰ খাজাঞ্চীৰ হাতত

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

দিবা আৰু অতি যত্নৰে থৈ দিবলৈ ক'বা। আৰু শুনা — খাজাঞ্চীৰপৰা এহেজাৰ মোহৰ লৈ অহিবা, এই কৃষকজনক পুৰস্কাৰ দিবলৈ।"

তৎপৰ মহাৰাজে কৃষক ছোহনক ক'লে, "ব'লা, আহাৰৰ সময় হৈছে। মোৰ লগত আহাৰ কৰিবা আজি।"

ৰাজসভাত উপস্থিত থকা সকলোটিয়েই মহাৰাজৰ কাৰ্যত বিস্ময় বোধ কৰিলে। কিছুমানে—ৰজাৰ এনে উদাৰতাক মূলধন হিচাপে গণি, লাভৰ কাৰবাৰ কৰিব বুলি স্থিৰ কৰিলে।

এজন সভাসদে ভাল চাই আৰবদেশীয় ঘোঁৰা এটা কিনি আনি এদিন ৰাজসভাত মহাৰাজলৈ ঘোঁৰাটোক উপহাৰ হিচাপে দিলে, আৰু ক'লে "মহাৰাজ, এই ঘোঁৰাটো গ্ৰহণ কৰি মোক কৃতাৰ্থ কৰক।"

ৰজাই ঘোঁৰাটোক গ্ৰহণ কৰিলে।

এতিয়া — ৰাজসভাস্থ সকলোটিয়েই মহাৰাজে এনে মূল্যৱান ঘোঁৰাৰ পৰিৱৰ্তে কেনেকুৱা আৰু কিমান পুৰস্কাৰ দিয়ে— সেই কথা চাবলৈ ৰৈ থাকিল।

কথাটো— মহাৰাজেও ঠাৰৰ কৰিব পাৰিলে। তেওঁ তেওঁৰ দেহৰক্ষী এজনক শুন-মুশুনকৈ ক'লে, "তুমি—সেই মধুৰি-মূলটো এতিয়াই আমাৰ খাজাঞ্চীৰপৰা খুজি-লৈ আহাগৈ।"

দেহৰক্ষীয়ে লৈ অহা মধুৰিমূলটো মহাৰাজে ঘোঁৰাটোৰ মালিকৰ হাতত দিলে আৰু ক'লে, "এই কন্দটোৰ — অৰ্থাৎ মধুৰি-মূলটোৰ মূল্য এহেজাৰ মোহৰ। তোমাৰ ঘোঁৰাটোৰ সলনি, এইটোকে তোমালৈ পুৰস্কাৰ হিচাপে দিছোঁ।"

এইদৰে ঘোঁৰাৰ মালিক সেই ফেঁচামুৰা সভাসদৰ আশাত চেঁচা পানী পৰিল। এইদৰে অবুজনক বুজাবলৈ চেষ্টা লাই সিজাই মহাৰাজে লুভীয়া সভাসদৰ নাক সৰা কাঁচিদি কাটিলে।



চান্দমামা-ক্রোড়পত্র-২৮

তেওঁসৱৰ স্বপ্নৰ ভাৰত

উমৈহতীয়া ঐতিহ্য !

পণ্ডিত গোবিন্দবল্লভ পন্থ ১৮৮৭ চনত উত্তৰ প্ৰদেশৰ আলমোড়া জিলাত জন্মগ্ৰহণ কৰিছিল। তেওঁ আছিল এগৰাকী উল্লেখযোগ্য স্বাধীনতা-সংগ্ৰামী।

স্বাধীনতা-পৰৱৰ্তীকালত, ১৯৫৫—১৯৬১ চনলৈকে তেওঁ আছিল ভাৰতৰ সন্মানিত স্বৰাষ্ট্ৰমন্ত্ৰী। ১৯৫৭ চনত তেওঁক 'ভাৰতৰত্ন' সন্মানেৰে ভূষিত কৰা হৈছিল।

১৯৪৬ চনৰ ২১ ডিছেমবাৰত এলাহাবাদ বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানৰ ভাষণত তেওঁ যি কৈছিল, তাৰেপৰাই তেওঁৰ স্বপ্নৰ ভাৰতবৰ্ষৰ ৰূপৰেখা জিলি'ক উঠিছিল। তেওঁ কৈছিল :

এই মহান দেশৰ প্ৰতিজন নাগৰিকেই সন্মানিত নাগৰিক হিচাপে গৰ্ব বোধ কৰিব পাৰে, তেওঁ হিন্দু হওক বা মুছলমান। তেওঁলোকৰ ধৰ্ম-পদ্ধতি বা পথ ভিন্ন হ'লেও তেওঁলোক সকলোটিয়েই ভাৰতীয় বংশোদ্ভূত, তেওঁলোকৰ প্ৰত্যেকৰে শিৰাই শিৰাই ভাৰতীয় তেজ প্ৰবাহিত। ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰতো ধৰ্মৰ এক অতি বিশিষ্ট স্থান আছে; কিন্তু প্ৰত্যেকৰ ধৰ্ম-পথৰ প্ৰতি প্ৰত্যেকৰ সুন্দৰ সহনশীলতাও ভাৰতীয় সমাজত দৃঢ় ভিত্তিৰূপে বিস্তৃত-বিৰাজিত আছে। এই অপূৰ্ব-অপৰূপ সহনশীলতাৰ ঐতিহ্যয়েই হ'ল আমাৰ হিন্দু-মুছলমানৰ মিলিত ভাৰতবৰ্ষ।

আমি জানোনে ?

১. ছাইকেল কোনে আৰু কেতিয়া আৱিষ্কাৰ কৰিছিল ?
২. ছাৰ্কাছ কোনে আৰু কেতিয়া সৰ্বপ্ৰথমে প্ৰতিষ্ঠা কৰিছিল ?
৩. কোনে আৰু কেতিয়া সৰ্বপ্ৰথমে ফিল্ম ষ্টুডিঅ' প্ৰতিষ্ঠা কৰিছিল ? সেই ফিল্ম ষ্টুডিঅ'ৰ নাম কি আছিল ?
৪. আধুনিক ছিংগাপুৰ কোনে আৰু কেতিয়া প্ৰতিষ্ঠা কৰিছিল ?
৫. ভাৰতৰ অংগৰাজ্য আৰু কেন্দ্ৰশাসিত ৰাজ্যসমূহৰ মাজত আটাইতকৈ সৰু ৰাজ্যখনৰ নাম কি ? এই ৰাজ্যৰ লোকসংখ্যা কিমান আৰু ভাষা কি ?

[উ : ৩৬ পৃ :]

আই দুৰ্গা



ভাৰতীয় সংস্কৃতিৰ প্ৰথম ধাৰক-বাহক-সকল হ'ল ঋষি-মুনিসকল। এওঁলোকৰ অন্তৰ্দৃষ্টি আছিল অতি প্ৰখৰ। এই কাৰণেই এওঁলোক সিদ্ধ পুৰুষ বুলি অভিহিত।

ভক্তসকলৰ বাসনা আৰু প্ৰয়োজন অনুসাৰে দেৱশক্তিক বহুৰূপেৰে সৃষ্টি কৰাৰ আৱশ্যকতা তেওঁলোকে অনুভৱ কৰিছিল। এই বহুৰূপৰ অন্যতম হল আই দুৰ্গাৰ ৰূপ। আই দুৰ্গা ভক্তবৃন্দৰ অতিকৈ মৰমৰ। ভাৰতৰ বহু বিখ্যাত মন্দিৰত আই দুৰ্গা পূজিতা হয়। যেনে—কামাখ্যা, কণ্যা, মুকাম্বা বা ভগৱতী।

আই দুৰ্গাদেৱীক সাধাৰণভাৱে দেৱাদিদেৱ শিৱৰ পত্নী ৰূপে জ্ঞান কৰা হয়। পাৰ্বতী আৰু সতী হ'ল আই দুৰ্গাৰ অন্যতম অৱতাৰ।

দুৰ্গা গোসাঁনীৰ চাৰিখন হাত। ওপৰৰ হাতত বিষ্ণুৰ প্ৰতীক শংখ আৰু চক্ৰ পৰিলক্ষিত হয়। আই দুৰ্গাৰ অন্য ৰূপো

আছে (মহিষাসুৰমৰ্দিনী), সেই ৰূপত আই দুৰ্গাৰ হাতৰ সংখ্যা অধিক।

আই দুৰ্গাৰ বাহন হ'ল সিংহ।

আই দুৰ্গাই তেওঁৰ ভক্তসকলক পথভ্ৰষ্টতাৰ পৰা ৰক্ষা কৰে। কোনোবাই পথভ্ৰষ্ট হৈ আই দুৰ্গাৰ ওচৰত অনুতাপ প্ৰকাশ কৰিলে পৰিত্ৰাণ লাভ কৰে।

আই দুৰ্গা হ'ল সমগ্ৰ জগতৰ মাতৃ আৰু জগতৰ সৰ্বমানৱৰ প্ৰতি তেওঁ সমদৃষ্টিসম্পন্ন।

দশহৰা আৰু নৱৰাত্ৰিৰ সময়ত আই দুৰ্গাৰ উৎসৱ মহাসমাৰোহৰে পালিত হয়।

সম্বাদ-বি-সম্বাদ

হাওঁফাওঁ কিমান শকত

৩৬ বছৰীয়া অ'খিহিকো কাটো নামৰ জাপানীৰ হাওঁফাওঁ বিশ্বৰ আটাইতকৈ শক্তিশালী হাওঁফাওঁ হিচাপে স্বীকৃতি লাভ কৰিছে। চিঞৰৰ প্ৰতিযোগিতাত এওঁ 'তোমাক যদি যুদ্ধ লাগে, গুচি যোৱা'—বুলি ইমান মৰ-চিঞৰ মাৰিছিল যে—অতি দ্ৰুতগতিৰে গৈ থকা ৰেলগাড়ীৰ শব্দকো এই মৰ-চিঞৰে চেৰ পেলাব পাৰিছিল।

গীত মাতেৰে বেজালি

গীত-মাতেৰে চিকিৎসা কৰিব পাৰি বুলি চিকিৎসক মনোবিদ আৰু সংগীতবিদৰ দল এটিয়ে মস্কোত এই মত প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে—গীত-মাতেৰে কিছু কিছু ৰোগ-প্ৰতিৰোধ কৰা সম্ভৱ। গাঁও অঞ্চলত লোকগীতিৰে বিভিন্ন ঘৰচীয়া জন্তুক চিকিৎসা কৰি সুফল পোৱা হৈছে বুলিও এই দলটোৱে অভিমত প্ৰকাশ কৰিছে।

সাহিত্যৰ কিঞ্চিত

১. সাহিত্যত ন'বেল বঁটা পোৱা মিছৰদেশৰ সাহিত্যিকজন কোন আছিল আৰু কেতিয়া তেওঁ এই বঁটা পাইছিল?
২. ভাৰতৰ কোন ভাষাই ভাৰতীয় সকলো ভাষাক সৰ্বাধিক প্ৰভাৱিত কৰিছে?
৩ দক্ষিণ ভাৰতীয় চাৰিটা ভাষাৰ মাজত কোনটো ভাষাৰ ওপৰত সেই ভাষাৰ সৰ্বাধিক প্ৰভাৱ বিদ্যমান?
৪. সংস্কৃত বাদে, ভাৰতৰ কোন ভাষাৰ ব্যাকৰণ ২৫০০ বছৰৰ আগেয়ে লিখিত হৈছিল?
৫. জম্মু আৰু কাশ্মীৰৰ কথ্য-ভাষা কি?
৬. সংস্কৃতত আটাইতকৈ প্ৰাচীন গ্ৰন্থ কি?

উত্তৰ

জানোনে?

১. কিৰ্কপ্যাট্ৰিক ম্যাকমিলান, ১৮৩৯ চনত।
২. ফিলিপ অ্যাস্টলি, বৃটিছ সৈন্যবাহিনীৰ অন্তৰ্ভুক্ত ব্যক্তি, ১৭৬৯ চনত।
৩. থমাচ এডিছন, ১৮৯৩ চনৰ ১ ফেব্ৰুৱাৰি। ইয়াৰ নাম আছিল 'ব্ল্যাক মাৰিয়া'।
৪. স্যাৰ ষ্টামফৰ্ড ৰাফেল, ১৮১৯ চনত।
৫. লাক্ষাদ্বীপ। জনসংখ্যা : ৪০ লাখতকৈ কিছু অধিক। ভাষা : মালয়ালম্।

সাহিত্য

১. নাগুইব মহফুজ, ১৮৮৮ চনত।
২. সংস্কৃত।
৩ তেলুগু।
৪. তামিল। ব্যাকৰণৰ নাম : তোলাকাপ্পিয়াম্।
৫. ডোগৰি।
৬ ঋগ্বেদ।



জগতৰ পৌৰাণিক কাহিনী (২)

অভাৱিত উপহাৰ

পুৰণিকলীয়া আৰগোছ নামৰ নগৰত ৰোমানসকলৰ কৃষি-দেৱতা শনিগ্ৰহৰ কন্যা জুনো দেৱীৰ বিখ্যাত মন্দিৰৰ প্ৰধানা পুৰোহিত আছিল ছিডিপ্‌পে।

ক্লেঅ'বিছ আৰু বাইটন আছিল ছিডিপ্‌পেৰ দুই পুত্ৰ। সিহঁত দুয়োজনেই দেখাত আছিল সুগঠিত আৰু শক্তি-সামৰ্থ্য তথা খেলাধূলাতো আছিল সিহঁতৰ বন্ধুহঁতৰ মাজত শ্ৰেষ্ঠ। ক্লেঅ'বিছ আৰু বাইটনে দেৱী জুনোৰ প্ৰধানা পুৰোহিত তথা সিহঁতৰ মাতৃক প্ৰকৃততেই অপাৰ শ্ৰদ্ধা কৰিছিল।



এদিন মাতৃ আৰু পুত্ৰদ্বয়ে ঘোঁৰাই টনা ৰথ এখনত উঠি তেওঁলোকৰ কোনোবা আত্মীয়ৰ ঘৰলৈ বুলি ওলাল। কিন্তু সেই আত্মীয়ৰ ঘৰ গৈ পোৱাৰ পাছ মুহূৰ্ততে অতিপাত পৰিশ্ৰান্ত ঘোঁৰা দুটাৰ অকস্মাৎ মৃত্যু হ'ল।

তাৰপৰা উভতি আহোঁতে ৰথ কঢ়িউৱাৰ বাবে আন দুটা ঘোঁৰা যোগাৰ কৰিবলৈ বহু চেষ্টা কৰিও ব্যৰ্থ হ'ল। এই ব্যৰ্থ চেষ্টা কৰোঁতেই গধূলি হওঁ হওঁ হ'ল।

ইপিনে—পাছদিনা ৰাতিপুৱা সেই জুনো দেৱীৰ মন্দিৰত এক বিৰাট মহোৎসৱ অনুষ্ঠিত হ'ব। গতিকে—জুনোদেৱীৰ মন্দিৰৰ প্ৰধানা পুৰোহিত তাত তেতিয়া উপস্থিত থাকিবই লাগিব। আৰু—ইমান দূৰৰ বাট খোজ কাঢ়ি যোৱাটোও তেওঁৰ পক্ষে অসম্ভৱ।



পুত্ৰদ্বয়ে এই অভাৱিত অথন্তৰৰ বিষয়ে সিঁহতৰ মাজত আলোচনা কৰি মাতৃক ৰথত উঠি বহিবলৈ ক'লে। সিঁহতে কেনেবাকৈ ক'ৰবাবৰপৰা ঘোঁৰাৰ বন্দবস্ত কৰা বুলি মাতৃয়ে ভাবিলে।

তাৰ পাছত ঘোঁৰাৰ সলনি পুত্ৰদ্বয়ে যেতিয়া ৰথ টানি লৈ যাবলৈ ধৰিলে, তেতিয়া মাতৃয়ে চেষ্টা কৰিও সিঁহতক নিৰস্ত কৰিব নোৱাৰিলে। অশ্বৰ সলনি মনুষ্যই টনা ৰথৰ দৃশ্য আছিল অভিনৱ।



ৰথ টানি টানি ক্লেঅ'বিছ আৰু বাইটনে কেতিয়াবা পাহাৰ বগাবলগীয়া হৈছিল, কেতিয়াবা ধাৰাসাৰ বৰষুণৰ মাজেদিও যাবলগীয়া হৈছিল ; কিন্তু সিঁহত মুহূৰ্তৰ বাবেও ৰৈ দিয়া নাছিল। ৰাতি যেতিয়া প্ৰায় পুৱাই আহিল, তেতিয়া সিঁহতৰ গতিবেগ তীব্ৰতকৈয়ো তীব্ৰ হৈ উঠিল।

উৎসৱৰ আগে আগে সিঁহত ৰথৰে সৈতে জুনো দেৱীৰ মন্দিৰ পালেহি। ক্লেঅ'বিছ আৰু বাইটনৰ এনে অসাধাৰণ সাহসিক কাৰ্য্য আৰু মাতৃভক্তিৰ বাবে ৰাইজে তথা ভক্তনৰে সহস্ৰকণ্ঠে সিঁহতৰ শলাগ ল'লে। ক্লেঅ'বিছ আৰু বাইটন অতিপাত ভাগৰি পৰিছিল ; কিন্তু মন্দিৰ পোৱাৰ আগতে সিঁহত নৰ'ল।

উৎসৱৰ অন্ত পৰাৰ অন্তত প্ৰধানা পুৰোহিতে — অৰ্থাৎ মাতৃয়ে তেওঁৰ পুত্ৰদ্বয়ক পাৰ্থিৱ কোনো দুঃখ-শোকে কদাপি স্পৰ্শ কৰিব নোৱৰা কিবা ধৰণৰ আশীৰ্বাদ দানিবলৈ জাগ্ৰতা দেৱী জুনোলৈ সকাতৰ প্ৰাৰ্থনা জনালে।

পুত্ৰদ্বয় — অৰ্থাৎ ক্লেঅ'বিছ আৰু বাইটন জিৰণি ল'বৰ মনেৰে এইবাৰ শুলেগৈ। মুহূৰ্ততে সিহঁতৰ দুয়ো টোপনিৰ কোলাত জাহ গ'ল। কিন্তু সিহঁত টোপনিৰপৰা আৰু সাৰ নোপোৱা হ'ল। টোপনিৰ কোলাতে সিহঁতৰ মৃত্যু হ'ল।



এইদৰেই এই ল'ৰা দুটিয়ে দুখ-শোকৰ উৰ্ধত এক স্বৰ্গীয় জীৱনৰ লাভ কৰিলে। আৰগোছৰ অধিবাসীবৃন্দই এই ল'ৰা দুটিৰ প্ৰতিমূৰ্তি সাজি সিহঁতৰ প্ৰতি যথোচিত সন্মান জ্ঞাপন কৰিছিল।

গপাল-গল্প

কল্যাণপুৰত সুধৰ্ম নামৰ এজন শ্ৰমিক আছিল। কঠোৰ শ্ৰম কৰি সুধৰ্মই পেট প্ৰৱৰ্তোৱাৰ জোখাৰে আৰ্জিছিল আৰু তাৰেই সুন্তুষ্ট মনেৰে সপৰিয়ালে কথমপি চলিছিল। কেতিয়াবা যদি আৰ্জিব নোৱৰা হৈছিল, নোখোৱাকৈ থকা সত্বেও কাৰোপৰা একো সুখুজিছিল।

গাঁৱৰ ৰাইজে জানিছিল যে সুধৰ্ম ধনৰ দুখীয়া; কিন্তু মনৰ দুখীয়া নহয়। তাৰ আত্মসন্মানবোধ অতি প্ৰখৰ। কিছুমানে অৱশ্যে সুধৰ্মৰ আত্মসন্মানবোধকে অহংকাৰ বুলি ভাবিছিল আৰু এই কথাত সুধৰ্মৰ প্ৰতি কিছু ঈৰ্ষা-বিদ্বেষৰ মনোভাব পোষণ কৰিছিল।

সেইখন গাঁৱৰে শ্ৰীপতি আছিল এজন সুতখোৰ; কিন্তু ধনী মহাজন। দুখীয়া শ্ৰমিক-কৃষকক তথা সকলোকে প্ৰয়োজনত সদায় মুক্তহস্তে টকা ধাৰলৈ দিছিল। কিন্তু ডিঙিত টিপা মাৰি ধৰি অতিকৈ সুতো উলিয়াই লৈছিল।

কিন্তু সুধৰ্ম কেতিয়াও শ্ৰীপতিৰ কাষ চপা নাছিল, বা শ্ৰীপতিক সুধৰ্মই কোনোবা ডা-ডাঙৰীয়া বুলিও নভাবিছিল। এই কাৰণত শ্ৰীপতিয়ে সুধৰ্মক এটা অহংকাৰী বুলি ভাবিছিল।

এবাৰ চুবুৰীয়া গাঁৱৰপৰা শ্ৰীপতিৰ সম্বন্ধী ৰমানাথ শ্ৰীপতিৰ ঘৰলৈ আহিল। ৰমানাথে শ্ৰীপতিক অন্যান্য কথাৰ মাজত সুধিলে, "এইখন গাঁৱত সুধৰ্ম নামৰ বন্ধুৱা এজন আছে হ'ব পায়। সুধৰ্মক অলপ মতাই অনিবনে ?"

"সুধৰ্ম ! সি বন্ধুৱা এটা হ'লে কি হ'ব

ৰামনাৰায়ণ শৰ্মা

—তাৰ বৰ অহংকাৰ ! তাকনো কেলেই লাগিছে ?" শ্ৰীপতিয়ে সুধিলে।

শ্ৰীপতিৰ কথাত ৰমানাথো অবাক হ'ল। সুধৰ্ম আত্মসন্মানবোধ থকা বস্তুৰা, হয় ; কিন্তু অহংকাৰী যেন লগা নাছিল দেখোন তেওঁৰ। শ্ৰীপতিৰ কথাৰ উত্তৰত ৰমানাথে ক'লে, "লাগিছে মানে—কথা হ'ল যে—সুধৰ্ম আমাৰ গাঁৱলৈকো যায় কাম-বন কৰিবলৈ। আপুনি কিবা কথাত তাক ভুল বুজা যেন পাইছোঁ। সুধৰ্মৰ মাজত আত্মসন্মানবোধ প্ৰখৰ ; কিন্তু অহংকাৰী যেননালাগে তাক। আপুনি কিজানি আত্মাভিমান আৰু অহংকাৰৰ মাজত থকা পাৰ্থক্য ধৰিব পৰা নাই।"

"পিছে—আপোনাক কিয় লাগিছে তাক নক'লে যে—?" শ্ৰীপতিয়ে সুধিলে।

"আমাৰ গাঁৱৰ ত্ৰিনাথ খেতিয়কৰ কিছুখিনি কাম সুধৰ্মই কৰি দিছিল তিনি দিন ধৰি। সুধৰ্মৰ প্ৰাপ্যখিনি ত্ৰিনাথে মোৰ হাততদি পাঠাইছে সুধৰ্মক দিবলৈ।"

শ্ৰীপতিয়ে তৎক্ষণাৎ তেওঁৰ কাম কৰা মানুহ এটাক সুধৰ্মক মাতি আনিবলৈ ক'লে। ৰামনাথে সুধৰ্মৰ আত্মসন্মানবোধ শ্ৰীপতিক দেখুৱাৰৰ মনেৰে শ্ৰীপতিৰ কাম কৰা মানুহটোক ক'লে, "মই ইয়াত আছোঁ বুলি তুমি সুধৰ্মক নক'বা। তুমি তোমাৰ গৰাকীয়ে-তাক মাতিছে বুলি কোৱাগৈ।"

সুধৰ্মই তেতিয়া মৰাপাটৰ ৰছী বনাই



আছিল এজোপা গছৰ তলত বহি। আৰু এজন বুঢ়া মানুহৰ সৈতে কথাও পাতি আছিল। শ্ৰীপতিয়ে পঠোৱা মানুহটোক সুধৰ্মই ক'লে, "মই এতিয়া এটা কাম কৰি আছোঁ, দেখিছাই। আৰু — তোমাৰ মালিকৰ লগত মোৰ তো কোনো কাম নাই, তেওঁৰ যদি মোৰ লগত কিবা কাম আছে—তেওঁকে আহিবলৈ কোৱাগৈ।"

শ্ৰীপতিৰ কাম কৰা মানুহটোৱে শ্ৰীপতিক ক'লেহি সুধৰ্মই কোৱা কথা। খঙতে ৰঙা পৰি শ্ৰীপতিয়ে ৰমানাথৰ পিনে চাই ক'লে, "এতিয়া বুজিলানে সি বেটা সুধৰ্ম কিমান অহংকাৰী?

ৰমানাথে শ্ৰীপতিক ক'লে, "আপুনি এটা কথা পাহৰি গৈছে যে—আপুনি মতাই পঠোৱা মাত্ৰকে দৌৰি অহাৰ তাৰ কোনো গৰজ নাই। সুধৰ্ম তো আপোনাৰ চাকৰ-নাকৰ নহয়।"

"তথাপি—মই এই গাঁৱৰ এজন গণ্য-মান্য ধনী মানুহ। কমেও—মোৰ ইজ্জতৰ কথা ভাবি সি পাইপইচীয়াই অহা উচিত নাছিলনে?" শ্ৰীপতিয়ে ৰমানাথক সুধিলে।

মুহূৰ্তমানৰ বাবে নিমাত হৈ থকাৰ পাছত ৰমানাথ ক'লে, "এটা কথা মনত ৰাখিব, অপুনি মাতি পঠোৱামাত্ৰেকে যিজন দৌৰি আহিব, সেইজন আপোনাৰ-পৰা কৃপা পাই কৃতাৰ্থ হ'বলৈহে আহিব।" কিন্তু সুধৰ্ম তেনেকুৱা নহয়, তাৰ আত্মসন্মান-

বোধ বোলা পদাৰ্থও আছে।"

শ্ৰীপতিয়ে এই কথাৰ কোনো উত্তৰ নিদিলে৷ মনেমনে থকাৰ মানে এয়া নহয় যে শ্ৰীপতিয়ে ৰমানাথৰ যুক্তি মানি লৈছে।

ৰমানাথে পুনৰ ক'লে. "মই এতিয়াই প্ৰমাণ কৰি দিম যে সুধৰ্ম আত্মাভিমানী কিন্তু অহংকাৰী নহয়।" ৰমানাথে শ্ৰীপতিৰ কামকৰা মানুহজনক ক'লে. "হেৰা, তুমি আকৌ এবাৰ সুধৰ্মৰ তালৈ যোৱা আৰু কোৱাগৈ যে — তোমাৰ মালিক অসুস্থ বুলিহে কিবা কামত সুধৰ্মক তেওঁ মাতিছে।"

শ্ৰীপতিৰ ভৃত্যৰপৰা এই কথা শুনাৰ লগে লগেই সুধৰ্ম শ্ৰীপতিৰ ঘৰলৈ গ'ল আৰু শ্ৰীপতিক নমস্কাৰ কৰি ক'লে, "মই এতিয়াহে জানিলোঁ যে আপুনি অসুস্থ।"

"মোৰ এই সম্বন্ধীয়েহে আচলতে তোমাক মাতি পঠাইছো।" শ্ৰীপতিয়ে ক'লে।

ৰমানাথে সুধৰ্মৰ হাত কিছুখিনি টকা দি ক'লে, "নন্দপুৰ গাঁৱৰ ত্ৰিনাথে এইখিনি টকা তোমাক দি পঠাইছে।"

সুধৰ্মই টকাখিনি লৈ শ্ৰীপতি আৰু ৰাম-নাথক নমস্কাৰ কৰি উভতি খোজ বঢ়ালে।

তেতিয়া ৰমানাথে শ্ৰীপতিক ক'লে, "চাওক, সুধৰ্ম অহংকাৰী হোৱাহেঁতেন দ্বিতীয়বাৰ খবৰ পোৱামাত্ৰেই নাহিল-হেঁতেন। যেতিয়া সি আপোনাৰ অসুস্থতাৰ কথা শুনিলে, সি কিন্তু তেতিয়াই কোনো প্ৰকাৰৰ ওজৰ-আপত্তি নকৰি আহিল আপোনাক চাবলৈ। তাৰ এই কাৰ্যাৰ মাজত কিবা অহংকাৰৰ গোন্ধ পাইছেনে?"

শ্ৰীপতিয়ে ক'লে, "মনুষ্য চৰিত্ৰৰ উমান লোৱাটো—বাস্তৱিকতেই বৰ টান। অলপ সময়ৰ আগলৈকে৷ মই সুধৰ্মক এটা অহং-কাৰী মানুহ বুলিয়েই ভাবিছিলোঁ। কিন্তু —এতিয়া মোৰ মত সলনি হ'ল। সুধৰ্মৰ মাজত থকা আত্মবিশ্বাস, আত্মভিমান তথা আত্মসম্মান-বোধ আমাৰ মাজতো — সকলোটিৰ মাজতেই থাকিব লাগে।"



বীৰ হনুমান

৯

স্বয়ংপ্ৰভাৰ সহায়ত বানৰসকল সেই ভয়ানক স্থানৰপৰা বাহিৰ হ'ব পৰা হ'ল। সিহঁতে এতিয়া সিহঁতৰ দৃষ্টিৰ সন্মুখত বিৰাট-বিশাল সফেন ঢউ উঠি থকা বিস্তৃত সীমাহীন সমুদ্ৰ দেখা পালে। বিন্ধ্যপৰ্বতৰ নৈঋত দিশত অজস্ৰ ফলপূৰ্ণ গছ-বিৰিখৰ তলত বহি বানৰসকল গভীৰভাৱে চিন্তান্বিত হ'ল। কিয়নো — বানৰৰাজ সুগ্ৰীৱে বান্ধি দিয় সময়সীমা কেতিয়াবাই পাৰ হৈ গ'ল।

ইপিনে—বহু দিন ধৰি অক্লান্তভাৱে চেষ্টা কৰা সত্বেও সীতা দেৱীৰ সন্ধেদো একো পাবলৈ নহ'ল। সিহঁত ক্ৰোধৰ বলি হ'ব লাগিব—সেই কথা ধ্ৰুৱ।

যুৱৰাজ অংগদে অন্য অন্য বানৰক উদ্দেশি এইবোৰ কথা ক'লে:

"বন্ধুসকল, আমি যেতিয়া সেই ভয়ানক স্থান ঋক্ষবিলত আছিলোঁগৈ, তেতিয়াই সুগ্ৰীৱ প্ৰদত্ত সময়সীমা অতিক্ৰান্ত হৈছিল, এই কথা আমি নজনা নহয়। পোনতে সুগ্ৰীৱে আমাক মাত্ৰ এপথ সময় দিছিল। তাৰ পাছত—এমাহ। সেই এমাহো উকলিল। অতি ক্ৰুৰ সুগ্ৰীৱে যে আমাক বধ কৰিব, সেই কথা সুনিশ্চয়। গতিকে—আমি কিষ্কিন্ধ্যালৈ উভতি গৈ সুগ্ৰীৱৰ হাতত মৰাতকৈ ইয়াতেই নমৰোঁ কিয়? মোক ৰামচন্দ্ৰইহে যুৱৰাজ পাতিছিল, বানৰৰজা সুগ্ৰীৱে

‘সম্পাতি-কথা’



পতা নাছিল। যথাযোগ্য সুযোগ পোৱা-মাত্ৰেই সুগ্ৰীৱে মোক বধিব। গতিকে— মই ইয়াতেই অনশনব্ৰত গ্ৰহণ কৰি এই সমুদ্ৰতটতে প্ৰাণত্যাগ কৰিম বুলি স্থিৰ কৰিছোঁ। কিষ্কিন্ধ্যালৈ উভতি যোৱাৰ মোৰ ইচ্ছা নাই।"

অংগদৰ কথা শুনি বানৰসকলৰ অংগ অবশ হ'ল, মন-প্ৰাণ বিবশ হ'ল, বাকৰুদ্ধ হ'ল! এজন বানৰ বীৰে ৰুদ্ধ কণ্ঠেৰে ক'লে, "যদি সীতা দেৱীৰ সমিচাৰ পাওঁ, তেহে সুগ্ৰীৱৰ ওচৰলৈ যাম; নতু, এই স্থানতে ময়ো প্ৰাণ বিসৰ্জিম।"

তেতিয়া তাৰ্-এ ক'লে, "আমি এইদৰে মৰণক আঁকোৱালি ল'ম কিয়? সেই ঋক্ষবিললৈ গৈ আমি দেখোন সুখে-সন্তোষেৰে জীৱন অতিবাহিত কৰিব পাৰিম। সেই ঋক্ষবিললৈ আমাক ধৰি নিবলৈ কোনো নাযায়, যাব নোৱাৰে। তাত আমাৰ যথাযোগ্য আহাৰৰো প্ৰচুৰ বন্দৱস্ত আছে। তাত ৰামৰো ভয় নাই, বা সুগ্ৰীৱৰো ভয় নাই। তাত আমি মহাসুখেৰে তথা অতি আনন্দৰে তথা নিৰভয়ে দিনাতিপাত কৰিব পাৰিম। আমাৰপৰা কৈফিয়ৎ বিচাৰোঁতা তাত কোনো দিনেই কোনো নোলাব।"

এনেবোৰ কথা শুনি হনুমানে মনতে ভাবি থাকিল: সুগ্ৰীৱৰ বানৰ ৰাজ্য অংগদে এদিন নহয় এদিন নিশ্চয় অধিকাৰ কৰিবই। বালী-পুত্ৰ অংগদো সূক্ষ্ম অনুভূতি সম্পন্ন, আৰু দেশ-কালৰ অা-অৱস্থাও দিনে দিনে কি হৈছে — সকলোটিয়েই দেখি আছে। জগতৰ যতমানে সুন্দৰ মনোভাব দিনে দিনে বিনষ্ট হৈছে।

হনুমানে অংগদক ক'লে, "অংগদ, তুমি তোমাৰ পিতৃৰ যুদ্ধ-ক্ষমতা পোৱা নাই। এই চপল-চঞ্চল বানৰসকল তোমাৰ লগত নাথাকিবও পাৰে! যদি নাথাকে— সিহঁতৰ তুমি একোৱেই কৰিব নোৱাৰিবা। আৰু এইবিলাকৰো পুত্ৰ-কন্যা-পৰিবাৰ-



পৰিজন নহয়। মোক, বা জাম্বৱন্তক, আৰু অন্যান্য বীৰসকলক সুগ্ৰীৱৰ ফলীয়া হৈ থকাৰপৰা বিৰত কৰাৰ, বা তোমাৰ ফলীয়া কৰি লোৱাৰ ক্ষমতা তোমাৰ মাজত নাই। লক্ষ্মণৰ বাণ এই ঋক্ষবিলে অৱৰোধ কৰিব নোৱাৰিব। লক্ষ্মণে এই ঋক্ষবিল এটা পাতৰ দৰে ছিৰাছিৰ কৰি পেলাব। গতিকে তুমি যদি সুগ্ৰীৱৰ সৈতে শত্ৰুতা কৰি তালৈ যোৱা, তেতিয়া তুমি নিজক নিজেই তৃণাদপি বুলি প্ৰমাণ কৰিবা। ৰাম-লক্ষ্মণে তোমাক শুদাই এৰিব বুলি নাভাবিবা। সুগ্ৰীৱ এগৰাকী ন্যায়নিষ্ঠ তথা ধৰ্মপ্ৰিয় বানৰ-ৰজা। তেওঁ তোমাৰ হিত চিন্তে। তোমাৰ মাতৃৰ প্ৰতি সুগ্ৰীৱ অপাৰ শ্ৰদ্ধাশীল। আৰু এই কথাত সন্দেহৰ লেশমানো কাৰণ নাই যে—তেওঁ অৰ্থাৎ আমাৰ বানৰ-ৰাজ সুগ্ৰীৱে তোমাক পুত্ৰসম জ্ঞান কৰে।"

কিন্তু হনুমানৰ কথা নামানি অংগদে ক'লে, "নহয়, কথা তেনেকুৱা নহয়। সুগ্ৰীৱৰ মাজত তেনেকুৱা সদ্‌গুণ একো নাই। তেওঁৰ পিতৃসম জ্যেষ্ঠ ভাতৃয়ে যেতিয়া তেওঁক গুহা-দ্বাৰ পৰ দি ৰৈ থাকিবলৈ কৈ শত্ৰুক বধিবলৈ গুহাৰ ভিতৰলৈ গৈছিল, তেতিয়া সেই গুহা-দ্বাৰ বিৰাট শিল এচটাৰে সুগ্ৰীৱেই বন্ধ কৰি দিছিল। যিজন ৰামচন্দ্ৰই মোৰ পিতৃক বধি সুগ্ৰীৱক বানৰ-ৰাজ্যৰ ৰজা পাতিলে, সেইজন ৰামচন্দ্ৰৰ ওচৰ প্ৰদত্ত অংগীকাৰ, অৰ্থাৎ সীতা উদ্ধাৰত সহায় কৰাৰ কথা ৰজা হোৱাৰ পাছত তেওঁ পাহৰি পেলালে। পাছত লক্ষ্মণৰ ভয়তহে সুগ্ৰীৱে সীতা অন্বেষণৰ বাবে ব্যৱস্থা ল'লে, কোনো ধৰণৰ সদ্‌বুদ্ধিৰে চালিত হৈ নহয়। —মই কিষ্কিন্ধ্যালৈ উভতি নাযাওঁ। তোমালোক কিষ্কিন্ধ্যালৈ যোৱা। মই ৰামচন্দ্ৰৰ কুশল কামনা কৰিছোঁ বুলি ৰামচন্দ্ৰক ক'বা। আৰু মোৰ ক'বলগীয়

বিশেষ একো নাই। মাতৃলৈ মোৰ সহস্ৰ প্ৰণাম জনাবা।"

তৎপৰ অংগদে কুশৰ আসন পাৰি শুলে। অংগদৰ দুখতে দুঃখী হৈ বানৰসকলৰ অধিকভাগেই সৰৱে আৰু মাটিত বাগৰি বাগৰি কান্দি থাকিল।

বানৰসকলৰ কোলাহল শুনি এটা গুহাৰপৰা বিৰাট আকাৰৰ গৃধ্ৰ অৰ্থাৎ ৰাজ-শগুণ এটা ওলাই আহিল। গুহাৰপৰা ওলাই অহাৰ লগে লগেই গৃধ্ৰটোৱে কৈ উঠিল, "অঃ! আজি কিমান যে সুন্দৰ দিন! পেট পুৰাই খোৱাৰ জোখাৰে আহাৰ মিলিল!"

গৃধ্ৰৰ হেনবাক্য শুনি বানৰসকল চকিত-চমকিত হ'ল। বানৰ সকলে পৰস্পৰলৈ নিৰ্বাক ভাবে চালে।

অংগদে হনুমানক ক'লে, "এই গৃধ্ৰ হ'ল সূৰ্যপুত্ৰ সম্পাতি। জটায়ুৱে ৰামৰ হৈ ৰাৱণৰ বিৰুদ্ধে যুঁজি প্ৰাণত্যাগ কৰিলে—আমি নজনা নহয়। আমিও তেনেকৈ ৰামৰ কাৰণে প্ৰাণ বিসৰ্জিব পৰাহেঁতেন কিমান যে ভাল হ'লহেঁতেন। কিন্তু তেনেকুৱা পৱিত্ৰ কাৰ্য্য আমাৰদ্বাৰা নহ'ল, বা আমাৰদ্বাৰা নহ'বও। সেই সুভাগ্য আমাৰ নাই।"

এই কথা শুনি সম্পাতিয়ে চিঞৰি ক'লে, "এনেবোৰ কথা কৈ কৈ মোক দুখ দিয়াটো—কোন তুমি? মোৰ ভাতৃ জটায়ু মৰিল—এই কথা কোনে কৈছা? জটায়ু আৰু ৰাৱণৰ মাজত কিয় যুদ্ধ হৈছিল জানানে? —হে বানৰ! সূৰ্যৰ তাপেৰে মোৰ পক্ষ ডেউকা পুৰিল। মই আৰু উৰিব নোৱাৰোঁ, উৰি আনকি মই তললৈকো যাব নোৱাৰোঁ। তোমালোকে মোক ইয়াৰপৰা নমাই লৈ যোৱা।"

অংগদে সম্পাতিক দাংকোলাকৈ গুহাৰপৰা তললৈ লৈ আহিল আৰু সম্পাতিক এইদৰে কৈ থাকিল:

"ইক্ষাকু-বংশীয় ৰজা দশৰথৰ পুত্ৰ



শ্ৰীৰামচন্দ্ৰই পিতৃআজ্ঞা পালনৰ অৰ্থে অনুজ লক্ষ্মণ আৰু পত্নী সীতাক লগত লৈ দণ্ডকাৰণ্যত বনবাস কৰি থাকোঁতে এদিনত ৰাৱণে সীতাদেৱীক অপহৰণ কৰি লৈ গ'ল। সীতাদেৱীক লৈ ৰাৱণ যেতিয়া আকাশপথেৰে গৈ আছিল, তেতিয়া মহাৰাজ দশৰথৰ মিত্ৰ জটায়ুৱে ৰাৱণক বাধা দিছিল। এই বাধা প্ৰদানৰ ফলত ৰাৱণে জটায়ুক বধিলে। ৰামচন্দ্ৰই জটায়ুৰ অগ্নিসংস্কাৰ কৰিছিল আৰু তেতিয়া আমাৰ বানৰ-ৰাজ্য কিষ্কিন্ধাৰ প্ৰান্তলৈ আহি মোৰ পিতা বানৰ-ৰাজ বালীক বধ কৰি মোৰ খুড়াদেউ সুগ্ৰীৱক ৰামচন্দ্ৰই বানৰ-ৰজাৰূপে অধিষ্ঠিত কৰিছিল। সেই সুগ্ৰীৱৰ আজ্ঞাসাম্নুৰেই আমি সীতাদেৱীক অন্বেষি এই ঠাই পাইছোঁহি। কিন্তু সীতাদেৱীৰ কোনো সা-সন্তেদ আমি উলিয়াব পৰা নাই বা সা-সন্তেদ উলিয়াবৰ বাবে আমি কোনো ক'তো শুং-সূত্ৰও বিচাৰি পোৱা নাই। যদি সীতাদেৱীৰ সন্তেদ নুলিউৱাকৈ আমি কিষ্কিন্ধালৈ যাওঁ, সুগ্ৰীৱে নিশ্চিতৰূপেই আমাক বধিব, সেই কথা আকাশত চন্দ্ৰ-সূৰ্য্য ওলোৱাৰ দৰেই একেষাৰে পৰম নিশ্চিত সত্য।"

তেতিয়া সম্পাতিয়ে ক'লে, "হে বানৰ, জটায়ু আছিল মোৰেই ভাতৃ। মই এতিয়া বৃদ্ধ, মোৰ ডেউকাও নাই। গতিকে— ৰাৱণক বধি মই মোৰ ভাতৃহত্যাৰ প্ৰতিশোধ ল'ব নোৱাৰিম। বৃত্ৰাসুৰক বধিবৰ দিনা আমি ভাই-ককায়ে উৰি উৰি সূৰ্য্যৰ কাষ প্ৰায় পাইছিলোঁগৈ। তাৰ ফলত মোৰ পক্ষ পুৰিছিল আৰু আমি পক্ষবিহীন দুৰ্ভগীয়াই এই বিন্ধ্য-পৰ্বতত পৰিছিলোঁহি। মই তেতিয়াৰেপৰা ইয়াতে আছোঁ; কিন্তু ভাতৃ জটায়ুৰ কোনো বা-বাতৰি পোৱা নাই, বা মোৰ ভাতৃৰ কোনো সম্বাদ পোৱাৰ আশাও আৰু দেখা নাই।"

অংগদে সম্পাতিক সুধিলে, "সেই ৰাক্ষসৰাজ ৰাৱণ ক'ত থাকে তুমি ক'ব পাৰিবানে? পাৰা যদি — আমাক তুমি নিঃচিন্তে নিৰভয়ে কোৱা।"

তেতিয়া সম্পাতিয়ে অংগদক আৰু অন্যান্যক কবলৈ ধৰিলে:

"হে বানৰ বীৰ! লংকা নামৰ নগৰী এখন সেই ৰাক্ষসৰাজ ৰাৱণৰ বাসস্থান। ৰাৱণ হ'ল বিশ্ৰবসুৰ পুত্ৰ। এইস্থানৰপৰা এশ যোজন নিলগত সমুদ্ৰৰ পৰিবেষ্টিত এটা দ্বীপ আছে। সেই দ্বীপতে লংকা নগৰী অৱস্থিত। তোমালোক যদি সাগৰ পাৰ হৈ তালৈ যাব পাৰা, তাত ৰাৱণ আৰু সীতাদেৱীকো দেখা পাবা বুলি মই নিশ্চিতৰূপে ভাবোঁ।"

জাম্বৱন্তই সম্পাতিক সীতা হৰণৰ কথা অলপ বিস্তৃতভাবে ক'বলৈ অনুৰোধ কৰাত সম্পাতিয়ে সামান্য ক্ষণলৈ নিৰৱ-নিমাত হৈ থকাৰ অন্তত সকলো বানৰলৈ চাই পুনৰ ক'লে:

"মোৰ পক্ষ পুৰি নোহোৱা হোৱাৰ-পৰা এই বিন্ধ্যাপৰ্বতৰ গুহা এটাতে পৰি থাকিবলৈ বাধ্য হ'লোঁ। মোৰ পুত্ৰ সুপাৰ্শ্বই মোৰ আহাৰৰ যোগান ধৰিছিল। এদিন সুপাৰ্শ্বই মোৰ আহাৰ্য্য লৈ নহা হ'ল, মই ভোকতে অথিৰ-অবিৰ হৈ উঠিলোঁ। সূৰ্য্যাস্তৰ পাছত সি যেতিয়া গুহা হাতৰে আহিল, মই তাক কঠোৰভাবে ককৰ্থনা কৰিলোঁ। সি মোক তেতিয়া ক'লে যে সি কিয় সময় মতে আহাৰ্য্য লৈ আহিব পৰা নাছিল। মোৰ বাবে বিচাৰি সি মহেন্দ্ৰ পৰ্বত পাইছিলগৈ। তেতিয়া তাত সি আকাশ পথেৰে এটা ধুমক'লা বিকটাকাৰ ৰাক্ষসে নাৰী এগৰাকীক বায়ু বেগে লৈ যোৱা দেখা পাইছিল। এই নাৰীগৰাকীয়েই আছিল সীতা দেৱী সেই কথাত একেবাৰেই সন্দেহ নাই। সুপাৰ্শ্বই আকাশভূতৰপৰাও এই কথাৰ স্পষ্টৰূপ প্ৰমাণ পোৱা হৈছিল।"

তাৰ পাছত বানৰসৱে সম্পাতিক পুনৰ সেই পৰ্বতত থৈ আহিলগৈ। তাত সম্পাতিয়ে পুনৰ এবাৰ বানৰ প্ৰমুখক এইদৰে ক'লে :

"মই পক্ষ নোহোৱা হৈ যেতিয়া ইয়াত পৰিছিলোঁহি, তেতিয়া ইয়াত এখন আশ্ৰম আছিল। এই আশ্ৰম আছিল মহৰ্ষি নিশাকৰ নামৰ মহান যোগীৰ আশ্ৰম। এইবোৰ কথা—আঠ সহস্ৰ বৎসৰৰ বা তাতোকৈ কিছু অধিক আগৰ কথা। পক্ষ অৰ্থাৎ ডেউকা নোহোৱা হৈ এই পৰ্বতত পৰি সেই আশ্ৰম অদূৰতে দেখা পাই মই বহু কষ্টেৰে লুটি-বাগৰ খাই অসহ্য যন্ত্ৰণাকো সহি সেই মহৰ্ষিৰ আশ্ৰম পালোঁগৈ। ঠিক তেতিয়াই মহৰ্ষি নিশাকৰ স্নান সমাপনান্তে দক্ষিণ দিশৰপৰা আহি আছিল তেওঁৰ অৰ্থাৎ মহৰ্ষি নিশাকৰৰ পিছে পিছে মৃগৰীপহু, ব্যাঘ্ৰ, সিংহ, হস্তী, সৰ্প ইত্যাদিও আহি আছিল। মহৰ্ষি যেতিয়া তেওঁৰ আশ্ৰমৰ কুটিৰৰ অংগন পাওঁ পাওঁ হ'ল, তেতিয়া ইহঁত থমকি ৰ'ল। তাৰ পাছত মহৰ্ষি নিশাকৰে এই অৰণ্যক প্ৰাণীকুললৈ মৰমৰ দৃষ্টিৰে এবাৰ চালে, হাত দাঙি ইংগিতেৰে কিবা ক'লে, আৰু আশ্ৰমত সোমাই গ'ল। এইবোৰ প্ৰাণীও পুনৰ অৰণ্যলৈ গুচি গ'ল।



তাৰ পাছত মহৰ্ষি নিশাকৰে মোক ক'লে, 'মই এসময়ত দুজন গৃধ্ৰৰাজক চিনি পাইছিলোঁ। সেই দুজন আছিল ভাই-ককাই। ডাঙৰজনৰ নাম আছিল সম্পাতি। তুমিয়েই সম্পাতি নহয়নে? কেতিয়াবা কেতিয়াবা মনুষ্য ৰূপ ধৰি তোমালোকে মোক প্ৰণাম কৰিছিলাহি নহয়? তোমাৰ পক্ষ কি হ'ল। তোমাক কোনোবাই কিবা কাৰণত দণ্ড বিধান কৰিলেনে কি? তোমাৰ এনে অৱস্থাৰ কাৰণকি—মোক তুমি বিস্তৃতভাৱে কোৱা'।

"মই মহৰ্ষিক সকলো কথা ভাঙি-পাতি ক'লোঁ। মোৰ সকলো কথা শুনাৰ

অন্তত মহৰ্ষিয়ে মোক ক'লে যে—অপহৃত সীতাদেৱীক বিচাৰি অহাসকলক মই—যদি মোৰ সাধ্য কুলায়মানে সহায় কৰোঁ, তেতিয়া মই পুনৰ মোৰ পক্ষ অৰ্থাৎ ডেউকা ঘূৰাই পাম। মহৰ্ষিৰ কথাত পৰিপূৰ্ণ বিশ্বাস কৰি মই তোমালোকৰ বাবে বাট চাই আছিলোঁ। ইমান কাল ধৰি অপেক্ষাৰ অন্তত এতিয়া মহৰ্ষিৰ কথা ফলৱতী হ'ল আৰু মোৰ আশা পৰিপূৰ্ণ-ভাৱে সফল হ'ল—উপলব্ধি কৰিছোঁ।"

চাওঁতে চাওঁতে সম্পাতিৰ গাত পুনৰ পাখি গজিল। এই দৃশ্য চাই চাই সম্পাতি পুলকিত হ'ল। সম্পাতিয়ে বানৰসকলৈ পুনৰ কৈ থাকিল:

"নিশাকৰ মহৰ্ষিয়ে কোৱামতে সকলো কথা ফলৱতী হ'ব ধৰিছে আৰু ফলৱতী হ'ব। মই পুনৰ পক্ষ তথা ডেউকা ঘূৰাই পাই আছোঁ, আনকি মোৰ দেহতো নতুন শক্তিৰ সৃষ্টি হোৱা বুলি অনুভৱ কৰিছোঁ মই; তোমালোকৰ সীতা অন্বেষণ নিশ্চয়েই সফল হ'ব বুলি মোৰ উপলব্ধি হৈছে। এতিয়া ময়ো এই অন্বেষণ-কাৰ্যত মোৰ পক্ষে সাধ্যায়ত্ত সৰ্বশক্তিৰে জঁপিয়াই পৰিম। আকাশ-পাতাল ভূমণ্ডল—সীতাদেৱী য'তেই নাথাকক, আমি আমাৰ মিলিত প্ৰচেষ্টাৰে নিশ্চয়েই বিচাৰি উলিয়াব পাৰিম বুলি মোৰ মনত প্ৰচণ্ড বিশ্বাস তথা আশাৰ সৃষ্টি হৈছে। আৰু মহৰ্ষি নিশাকৰৰ অপাৰ কৃপাত মোৰ এই আশা পূৰ্ণ নহৈও নাথাকে, সেই কথা ধ্ৰুৱ। হে বানৰ বীৰবৃন্দ! তোমালোক হতাশ নহ'বা, হুমুনিয়াহ কাঢ়ি নাথাকিবা। মই মোৰ অনুভৱ ক্ষমতাৰে এই কথা পৰিষ্কাৰ উপলব্ধি কৰিব পাৰিছোঁ যে দুৰাচাৰ ৰাক্ষসৰাজ ৰাৱণৰ কবলৰপৰা আমি নিশ্চয়েই পৰমসতী সীতাদেৱীক অচিৰাৎ উদ্ধাৰি আনিব পাৰিম।" এই বুলি কৈয়েই সম্পাতিয়ে মাৰিলে আকাশলৈ উৰা।



ভূতীয়া-ভু

কোনোবা এখন গাঁৱত পূৰণ আৰু হৰণ নামৰ দুজন নলেগলে লগা বন্ধু আছিল। দুজনৰ মাজত এজনৰো ক'তো কোনো কেও-কিছু নাই, ঘৰ-দুৱাৰো নাই। দিনৰ দিনটো ই গাঁৱে সি গাঁৱে ঘূৰি ঘূৰি য'ত যি পাইছিল কাম-বন কৰিছিল, গধূলিৰ আগে আগে সেই কামৰ পইচাৰে চাউল-দাইল তেল-নিমখ কিনি লৈ গাঁৱৰ এচুকত থকা বিৰাট বৰগছ এজোপাৰ তলত, বুটলি অনা খৰিকাঠেৰে ৰন্ধা-বঢ়া কৰি, তপতে তপত খাই, পুৱাৰ জলপান হিচাপে অলপ থৈ, মজা মাৰি বৰগছৰ তলতে টোপনি মাৰিছিল। এইদৰেই, ভৱিষ্যতৰ কথা ধোঁৱা'চাঙত তুলি থৈ, সিহঁতৰ জীৱনৰ দিনবোৰ-ৰাতিবোৰে ডেউকা মেলিছিল।

এই বৰগছ জোপাত বিৰাট এটা খোৰোং আছিল। সিহঁতৰ যাৱতীয় বয়-বস্তু বাচন-বৰ্তন আদি এই খোৰোঙতে ভৰাই থৈ কামলৈ ওলাইছিল। এই বৰগছ জোপায়েই আছিল সিহঁতৰ ঘৰ-দুৱাৰ।

এটা বিশেষ আশাই কিছুদিন ধৰি পূৰণ-হৰণক হাত-বাউল দিছিল। এই বৰগছজোপাৰ তলতে কেনেবাকৈ জুপুৰি এটা সাজি বিয়া-বাৰু কৰাই দুয়ো মজাছে থাকিব। এই বাবে সিহঁতে অলপ অলপকৈ টকা-সিকাও নসঁচাকৈ নাছিল; কিন্তু তথাপি, যিমানখিনি হ'লে মনৰ আশা পূৰে, সিমানখিনি এতিয়ালৈকো সাঁচিব পৰা নাছিল।

এদিনৰ কথা। দুয়ো গধূলিৰ আগে আগে ৰন্ধা-বঢ়া কৰিবলৈ যো-জা কৰি থাকোঁতেই হঠাৎ বৰগছৰ সেই খোৰোঙৰ-

অমিতা গগৈ

পৰা মস্ত দীঘল লিহলিহীয়া হাত এখনে সিহঁতৰ বাচন-বৰ্তনবোৰ দিবলৈ ধৰিলে। ইমান দীঘল হাত কোনোবা মানুহৰ হয়নে ? তেনেহ'লেনো—এই হাত কাৰ ?

কাও চাই দুয়ো উচপ খাই উঠিল। চাওঁতে চাওঁতে সিহঁতৰ বিভ্ৰান্ত-বিহ্বল দৃষ্টিৰ আগতে এটা বিৰাট ভূতক দেখা পালে. ভূতটোৱে সিহঁতক ক'লে, "তোমালোকক সুমুধি-মুপুছি মই যে এই খোৰোঙত বাহ লৈছোঁহি—তাৰ বাবে বেয়া নাপাবা. দোচ্ ।"

পূৰণে সাহসেৰে ক'লে, "নোকোৱা-নোবোলোকৈ লোকৰ ঘৰত সোমাইছা, আকৌ দোচও বুলিছা ! এবাৰ আহা ওলাই, মজা এপালি দিম ভালকৈ, পিঠি খজুৱাইছে যদি--বাবৰি ফুলো বাছিম বঢ়িয়াকৈ, পাবা চৰৰ চিৰা-দৈ।"

এই কথা কোৱাৰ লগে লগে সেই বিৰাট ভূতটো নিমিষতে সৰু হৈ পৰিল। ভূতটো খোৰোঙৰপৰা জঁপমাৰি ওলাই আহিল আৰু পূৰণৰ ভৰিত ধৰি ক'লে "তোমালোকেও যদি মোক অকণ ঠাই নিদিয়া দোচ, মইনো কেনি যাওঁ ? মই বৰ অথন্তৰত পৰিছোঁ, আওমৰণে মৰিছোঁ, আৰু সেইহে তোমালোকত পশিছোঁ। মোৰ লগৰীয়া ভূতইঁতে মোক খেদিলে। এটা তামাম দিন মই তোমালোকক লক্ষ্য কৰিলোঁ। তোমালোক অতি ভাল মানুহ। সেই বুলিহে মই তোমালোকৰ শৰণ লৈছোঁহি। দয়া কৰি মোক তোমালো কৰ ছিচৰণত ঠাই দিয়া।"

শুনি পূৰণৰ মন কিছু পমিল, হৰণৰো কুমলিল। হৰণে ভূতটোক সুধিলে, "তোমাৰ লগৰীয়া ভূতবিলাকে তোমাক খেদিলে কিয় ? সকলো কথা সঁচাসঁচিকৈ সংহৰি ক'বা, পোনে-গুছিয়ে ডুব নামাৰিবা যেন চাবা।"

তেতিয়া ভূতটোৱে নিজৰ সোলা মুখখন দেখুৱালে আৰু দুখৰে ক'লে,



"দেখিছাই নহয়, মোৰ জামি দাঁতবোৰ নোহোৱা হ'ল। সিহঁতৰ লগত দাঁত নথকা ভূত এটা থকাটো বোলে সিহঁতৰ পক্ষে অম্‌মানৰ (অপমানৰ) কথা, সেই কাৰণে মোক খেদিলে। তোমালোকে মোক আশ্বয় (আশ্রয়) দিয়া, মই তোমালোকক সকলো কামতে দিনে-নিশাই সহায় কৰিম। তোমালোকে যিহকে খাবা—তাৰপৰা এমুঠিমান দিলেই—মোৰ চলি যাব। তোমালোকৰ কাম-বন মই কৰি দিব পাৰিম, কিন্তু আৰ্জিব তো নোৱাৰিম, ভূতকনো কোনে কাম দিব?"

"কিন্তু তুমি সোলা হ'লা কেনেকৈ—নক'লা যে—?" পূৰণে ক'লে, "তোমাৰ জামি-দাঁতবে.ৰ সৰিল কিয়, বা কোনে কিয় সকৰালেনো?"

"সেয়া এক দীঘলীয়া কাহিনী।..." কিবা ক'বলৈ লৈও ভূতটোৱে ৰৈ দিলে। ভূতটোৱে তলমূৰ হৈ তাৰ ভৰিৰ আঙুলিৰে মাটি খুচৰিবলৈ ধৰিলে।

ভূতটোৱে এই কথা কোৱাত পূৰণে ক'লে, "থোৱাহে তোমাৰ দীঘলীয়া কাহিনী। আমি হাড়ভঙা পৰিশ্ৰম কৰি খোৱা মানুহ। তোমাৰ দীঘলীয়া কিয়—চুটি কাহিনীও শুনাৰ সময় আমাৰ নাই, নহ'ব। আৰু--শুনিয়েইবা কি হ'ব? তুমি বেটা ভূতৰ পুত যে লম্ভিছাহি—আমাক লালোডিং নকৰাকৈ গুচিবানে? আমি হলোঁ লেংটি-বেচা, তুমি হ'লা লুঠুংঠুঙা।"

হৰণে ক'লে, "হাৰে পূৰণ, ভূতৰ দাঁত নোহোৱা হল কিয়—সেই কথাত আমাৰনো কি? তাৰ আগ-দাঁত, কুকুৰ-দাঁত, গুৰি দাঁত, জামি-দাঁত থাককেই বা নেথাকক, সি দাঁত ছেলাব পাৰকেই বা নোৱাৰক, তাৰ দাঁতৰ শূলেই হওক বা নিকটাওক—আমাৰ কি লাভ-লোচ্‌কান?"

তেতিয়া ভূতটোৱে কান্দি কান্দি ক'লে, "মোৰ এই ভূত-জীৱন গু-জীৱন ধৰি



থকাতকৈ মৰি যোৱাই ভাল।" এই বুলি কৈ ভূতটোৱে বৰগছজোপাতে তাৰ মূৰ খুন্দিয়াবলৈ ধৰিলে।

পূৰণে কৈ উঠিল, "কি কৰা, কি কৰা? মৰিব নালাগে। ইয়াতে থাকা। পিছে—আমাৰ ইয়াত থাকিবলৈ হ'লে আমাৰ নিয়ম মানিব লাগিব।"

বছ। ভূতটোৱে হৰণ-পূৰণৰ আগত আঁঠু ল'লে। তেতিয়া পূৰণে পুনৰ এবাৰ সুধিলে ইমান কম বয়সতে তাৰ সোলা হোৱাৰ কাহিনী।

ভূতটোৱে দীঘল হুমুনিয়াহ কাঢ়ি ক'লে, "সময়ত ক'ম নিশ্চয়। এতিয়া খানা (খোৱাবস্তু) বনাব লাগিব, নহ'লে তোমালোকৰ দেৰি হ'ব।" এই বুলি কৈ, ভূতটোৱে অতি কম সময়তে যা-যোগাৰ কৰি ৰন্ধা-বঢ়া কৰিলে। পূৰণ-হৰণে ভূতে ৰন্ধা খানা খাই ভালেই পালে।

পাছদিনা—ভূতটো হৰণ-পূৰণ জাগি উঠাৰ বহু আগতেই জাগি উঠিল আৰু ঠাইডোখৰ পৰিষ্কাৰ কৰিলে, হৰণ-পূৰণৰ কাপোৰ-কানিবোৰ ওচৰত থকা পুখুৰীৰ-পৰা ভালকৈ চাফা কৰি আনিলে, ৰন্ধা-বঢ়াৰ বাবে খৰিকাঠ বুটলি আনিলে। হৰণ-পূৰণ ভূতৰ কাম-বন চাই ভোল গ'ল।

হৰণ-পূৰণে এতিয়া আগতকৈ কিছু অধিক সময় ধৰি কাম-বন কৰে। কিয়নো ভূতৰ মুখৰ 'এমুঠিমান' তো সিহঁতেই যোগাৰ কৰিব লাগিব। নামতহে 'এমুঠি খোৱাত সি 'নাও-পেটা'। ভূতৰ বেটাই নাগেৰা চটাই খায়।

আবেলি পৰতে, কাম-বনৰ অন্তত মহাজনে হৰণ-পূৰণক সুধিলে, "কিহে, তোমালোকে এতিয়া আগতকৈ বহু বেছিকৈ কাম কৰিছা যে—নোকোৰা-কৈয়েই বিয়া-বাৰু কৰালানে কি?"

মহাজনে কথাখিনি কৈ কৈ যেতিয়া হাঁহি আছিল, তেতিয়া মহাজনৰ মুখৰ সোণেৰে বন্ধোৱা দাঁত দুটামান দেখা পাই

পূৰণৰ মনত এটা বিশেষ কথাই হঠাৎ মুৰ দাঙি উঠিল।

বাটত পূৰণে হৰণক ক'লে, "হৰণ, আমাৰ ভূতটোকো যদি এই মহাজনৰ দৰে সোণেৰে দাঁত বনাই দিয়া যায়— কেনে হ'ব ?"

"সোণৰ দাঁত!" হৰণে আচৰিত হৈ সুধিলে, তাৰ পাছত ক'লে, "সোণৰ নালাগে, ৰূপৰ হ'লেও হ'ব। ঠিক আছে তাক ৰূপৰ দাঁতকে দিয়া যাওক। সি, তেতিয়া বৰ তুষ্ট হ'ব, আৰু আমাৰ কাম-বন আৰু ভালকৈ কৰি থাকিব।"

পাছদিনাই হৰণ-পূৰণে ভূতটোক কথাটো ক'লে, আৰু লগে লগে চহৰলৈ বুলি খোজ ল'লে ৰূপৰ দাঁত গঢ়াবৰ মনেৰে। আনন্দৰ আৱেগত ভূতটোৱে কান্দি পেলালে।

কিন্তু চহৰৰ সোণাৰিক ভূতৰ কথানো কয় কেনেকৈ? গতিকে—সিহঁতে এটা ভাওনা-দলৰ কামত ৰূপৰ দাঁত দুপাৰি লাগিব বুলি ক'লে।

সোণাৰিয়ে হৰণ পূৰণৰপৰা টকা-পইচা চমজি লৈ, সিহঁতক সাতদিনৰ পাছত আহিবলৈ ক'লে।

কথা মতে, এসপ্তাহৰ অন্তত দুয়ো সোণাৰিৰ ওচৰলৈ গ'ল। তাত তেতিয়া

সাত বছৰীয়া ল'ৰা এটি বহি আছিল সোণাৰিৰ কাষত। সি এই ৰূপৰ দাঁত দুপাৰি ঘূৰাই-ফিৰাই চাই আছিল আৰু সোণাৰিক অজস্ৰ প্ৰশ্ন কৰি আছিল।

এতিয়া হৰণ-পূৰণক দেখা পাই সোণাৰিয়ে ক'লে, "আহক—আহক, ঠিক সময়ত পাইছেহি।" তাৰ পাছত ল'ৰা-টোলৈ আঙুলিয়াই ক'লে, "এই ল'ৰাটোৰ নাম কাঞ্চন। মোৰেই ল'ৰা। ৰূপৰ এই অদ্ভুত ধৰণৰ দাঁত দেখি সি মোক জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন কৰি হায়ৰাণ কৰি মাৰিছে।"

"অ'—তোমালোকৰহে এনে অদ্ভুত



দাঁত। তোমালোকে বোলে কিবা ভূতৰ নাট কৰিবা বুলি এইবোৰ গঢ়াইছা। সেই ভূতৰ নাটকৰ গল্পটো মোক অলপ ক'বানে?" বজৰলেপ ল'ৰাটোৱে সুধিলে।

পূৰণে হৰণলৈ কেঁৰাকৈ চালে। হৰণে মুহূৰ্তমান ভাবি লৈ ক'লে, "হেঁ—সেই ভূতৰ গল্পটো হ'ল এংকুৰা—। মানে—এটা তান্ত্ৰিকৰ ওচৰত এটা ভূত আছিল। ভূতটোক তান্ত্ৰিকে বটল এটাৰ ভিতৰত সুমুৱাই থৈছিল। ভূতটো আছিল বৰ এলেহুৱা। কিছু দিনৰ পাছত কিবা কাৰণত ভূতটোৰ ওপৰত তান্ত্ৰিকৰ খং উঠিল আৰু তান্ত্ৰিকে ভূতটোৰ আটাইবোৰ দাঁত উপাৰি পেলালে আৰু তাক বটলৰ-পৰা উলিয়াই আনি টিকাত গোৰ মাৰি খেদি দিলে। ভূতটোৱে আৰু কৰিব কি, এজন দুখীয়া মানুহৰ কাষ চাপিল আৰু মানুহজনক তাৰ দুখৰ কাহিনী ক'লে। তেতিয়া সেই মানুহজনে নিজৰ সাঁচতীয়া ধনেৰে ভূতটোক এই ৰূপৰ দাঁত বনাই দিলে আৰু তেতিয়াৰপৰা ভূতটোৱে সেই মানুহজনৰ বাবে বহুতো কিবাকিবি কাম-বন কৰি দিলে। বছ।"

কাঞ্চনে হো হোৱাই হাঁহি উঠিল। আৰু হৰণ-পূৰণে এই হাঁহিৰ অৰ্থ ঠাৱৰ কৰিব নোৱাৰি ঠৰ হৈ ল'ৰাটোলৈ একেথিৰে চাই ৰ'ল।

কাঞ্চনে হাঁহি হাঁহিয়েই ক'লে, "গল্পটোৰ মাথা নাই মুণ্ড নাই। দাঁত দুপাৰি পোৱাৰ পাছত ভূতটো বাৰু আৰু থাকিব কিয়? সি নিশ্চয় পলাব।"

যি কি নহওক—হৰণ-পূৰণ বৰগছৰ তললৈ উভতি আহিল। আহি ল'ৰাটোৱে কোৱা কথাখিনি ভূতটোক ক'লে।

ভূতটোৱে কন্দনামুৱা হৈ ক'লে, "এতিয়া মই তোমালোকক ক'ম, কেনেকৈ কি হৈছিল, দ'াত সৰিছিল।" এই বুলি কৈ ভূতটোৱে ক'বলৈ ধৰিলে :

"মোক যিটোৱে মোক ধৰি বটলৰ

ভিতৰত ভৰাই থৈছিল. সেই ভূত-বৈদ্যটোৰ নাম প্ৰেতনাৰায়ণ ভূতবৰ্মা। তাৰ আন এটা দোচৰ নাম পিশাচপ্ৰিয় ভূতনাথ। ইও এটা ভূতক ধৰিছিল। এই দুয়োটা আছিল তান্ত্ৰিক।

“এবাৰ দুয়োটায়েই আমাক লৈ এটা প্ৰতিযোগিতা পাতিলে. শকত ৰছীৰে দুটা ডাঙৰ ডাঙৰ শিল বান্ধি সেই শিল ৰছীত দাঁতেৰে কামুৰি ধৰি লৈ যাব লাগিব। এই কাম বাধ্যত পৰি কৰিবলৈ লৈহে মোৰ দাঁত দুপাৰি গ'ল। তাৰ পাছতো সিহঁতে আমাক ডুখৰি পীৰাৰে মাৰিলে। তেতিয়া তোমালোকৰ শৰণ ল'লোঁহি।”

ভূতৰ কথাত দুখত পমি হৰণ-পূৰণে তেতিয়াই ভূতটোৰ মুখত ৰূপৰ বিচিত্ৰ বিৰাট আকৃতিৰ দাঁত লগাই দিলে। ওচৰতে থকা পুখুৰীৰ পানীত ভূতটোৱে তাৰ বিৰাট আকৃতিৰ জামি-দাঁতবোৰ দেখা পাই হঠাৎ আগৰ দৰে তজবজা হৈ উঠিল আৰু চকুৰ পচাৰতে তাৰপৰা নোহোৱা হৈ পৰিল।

হৰণ-পুৰণ ভেবাচেকা খাই গ'ল। দুয়ো নিৰৱে-নিমাতে পুনৰ বৰগছৰ তল পালেগৈ। হৰণে পূৰণক ক'লে. “হাৰে পূৰণ, সৰু হ'লে কি হ'ব—সোণাৰিৰ পো কাঞ্চনে ভূতীয়া-কথাৰ ভু আমাতকৈ ঢেৰ বেছি জনা। ভূতীয়া-কথাৰ ভু ভা আগতে অলপো জনাহেঁতেন আজি আমাৰ ইমান দিনৰ ইমান শ্ৰমেৰে অৰ্জা সাঁচনৰ ধনখিনি কাছনত নগ'লহেঁতেন। এতিয়া আমাৰ আৰু বিয়া-বাৰু কৰাৰো মুদা মৰিল! ভূতটোৱে যি ধৰণে আমাক মাৰৰ বিয়া দেখুৱাই গ'ল—তাৰ চোট চম্ভালোঁতেই আমি কিজানি তিনিকাল গৈ একাল পাম।” আৰু নলওঁ বিয়াৰ নাম। পূৰণে হৰণৰ এই কথাৰ উত্তৰত কেৱল মূৰ দুপিয়ালে।



বাৰেৰে-তেৰেৰে

বহু বহু কালৰ আগৰ কথা। বাগ্দাদ নগৰত আলী নামৰ এটা হাজাম—অৰ্থাৎ নাপিত আছিল। আলী সাধাৰণ নাপিত নহয়, সি যাকে-তাকে নুখুৰায়। বাগ্দাদৰ ধনী-মানী আৰু শ্বাহী (ৰজাৰ) কৰ্মচাৰী-ইঁতকহে সি হাজামত কৰে।

এদিন আলীৰ ঘৰত খৰিকাঠ নাইকিয়া হ'ল। আলীয়ে তাৰ ঘৰৰ বাৰান্দাত বৈ বৈ বৈ—পালে গাধৰ পিঠত খৰি বোজাই কৰি গৈ থকা এটা বুঢ়া খৰিকটীয়াক। আলীয়ে মাতিলে। আলীয়ে বুঢ়াক ক'লে, "শুনা, মই দৰাবলৈ নিবিচাৰোঁ, তোমাৰ গাধৰ পিঠিত থকা আটাইখিনি খৰিকাঠ মই ল'ম, আৰু টকা পাঁচটি দিম।"

আলীৰ কথা মতেই ৰাজী হৈ বুঢ়াই তাৰ গাধৰ পিঠত থকা খৰিখিনি গাধটোৰ পিঠিৰপৰা নমাই আলীক দিলে।

আলীয়ে ক'লে, "শুনা, মই গাধৰ পিঠিত থকা আটাইখিনি খৰিকাঠৰ দাম পাঁচ টকা দিম বুলি কৈছিলোঁ। গতিকে—কি বোলেনে — তোমাৰ গাধৰ পিঠিত থকা জীনটোও মোক দিয়া।"

"কেলেই? গাধৰ জীন কেলেই দিম?" বিভ্ৰান্ত বুঢ়াই সুধিলে।

"কিয়নো — জীনটোও কাঠেৰে বনোৱা আৰু কাঠ মানেই খৰি।"

"ইনো কেনেকুৱা কথা! এই কথা মানি লব নোৱাৰোঁ, হুজুৰ!" বুঢ়াই ক'লে।

কিন্তু আলীয়ে জোৰ কৰি গাধৰ পিঠিত থকা কাঠৰ জীনটো কাঢ়ি লৈ বুঢ়াক খেদি দিলে।

খৰিকটীয়া বুঢ়াই কাজীৰ কাষ চাপিল। কিন্তু এইজন কাজীয়ে বুঢ়াক ক'লে যে আলীয়ে ঠিক কাম কৰিছে।

'আৰবদেশৰ লোক-কথা'

আচলতে কথা আছিল এয়ে যে—এই কাজীৰ হাজাম আছিল আলী।

তাৰ পাছত বুঢ়া আন এজন কাজীৰ ওচৰলৈ গ'ল। কিন্তু এইজন কাজীও আলীৰ বহুদিনীয়া গ্ৰাহক হোৱাত বুঢ়া খৰিকটীয়া ইয়াতো হতাশ হ'ল।

হতাশ হৈ পৰা বুঢ়া খৰিকটীয়াই উপায় নাপাই ঘৰমুৱা হ'ল। বাটত তাৰ চিনাকি অন্য এজন বুঢ়াই খৰিকটীয়া বুঢ়াক সুধিলে, "কি খবৰ, মিঞা? ইমান আমন-জিমন যেন লাগিছে কিয় তোমাক?"

খৰিকটীয়া বুঢ়াই মনৰ দুখতে ঘটনাৰ কথা ক'লে। তেতিয়া বাটৰুৱা বুঢ়াই ক'লে, "এই কথাত হতাশ হ'ব নালাগে। তুমি মকবুল খলিফাৰ ওচৰলৈ যোৱা।"

খৰিকটীয়া বুঢ়াৰপৰা সকলো ধৈৰ্য্যৰে শুনি মকবুল খলিফাই ক'লে, "হওঁতে—নিয়ায় এতিয়ালৈকে আলীৰেই প্ৰাপ্য। তথাপি—তুমি যে অনিয়ায় ব্যৱহাৰ পাইছা—সি-ও ঠিক। এটা কাম কৰা, শুনা—" এই বুলি কৈ খলিফাই খৰিকটীয়াক শুন-নুশুনকৈ কিবাকিবি ক'লে।

কেইদিনমানৰ পাছত খৰিকটীয়া বুঢ়া আলী-নাপিতৰ দোকানলৈ গ'ল আৰু আলীক সুধিলে, "মোৰ আৰু মোৰ দোচক (বন্ধু) হাজামত (খুৰাবলৈ) কৰিবলৈ কিমান ল'বা?"

"দো ৰূপেয়া (দুটকা) দিয়া যদি—

তোমাক আৰু তোমাৰ দোচকো খুৱাই দিম।" আলীয়ে ক'লে।

"ঠিক হ্যায়, প্ৰথমে মোক খুৱাই দিয়া।" খৰিকটীয়া বুঢ়াই টকা ছুটা আলীক দিলে।

বুঢ়াৰ দাড়ি খুৰোৱাৰ পাছত আলীয়ে সুধিলে, "তোমাৰ দোচ্ ক'ত?"

"বাহিৰত বৈ আছে।" এই বুলি কৈ, বুঢ়াই তাৰ গাধটোক আলীৰ দোকানৰ ভিতৰলৈ লৈ গ'ল আৰু ক'লে,"এয়ে মোৰ দোচ্, ইয়াক খুৱাই দিয়া।"

"কি! গাধ এটাক আলীয়ে খুৰব লাগিব! ওলাই যোৱা, এতিয়াই ওলাই যোৱা!" আলীয়ে খঙতে একোনাই হৈ বুঢ়াক ক'লে।

এইবাৰ মকবুল খলিফাই চিপাহী এটাক ক'লে আলীক ধৰি আনিবলৈ।

আলী আহিল, আৰু বুঢ়াৰ অভিযোগৰ কথা সঠিক বুলি মানি ল'লে আৰু খলিফাক ক'লে, "হুজুৰ,বুঢ়াৰ কথা ঠিক। মই তাক আৰু তাৰ দোচক খুৱাম বুলি ছুটকা লৈছিলোঁ। কিন্তু হুজুৰ—মানুহৰ দোচ্ এটা গাধ হ'ব পাৰেনে?"

"গাধৰ পিঠিৰ জীন যদি খৰিকাঠ হ'ব পাৰে—মানুহৰ দোচ গাধ হোৱাত আপত্তি কিহৰ? যোৱা, বুঢ়াৰ দোচক তুৰন্তে খুৱাই দিয়া, নহ'লে ফাটকত আটক হোৱা।" খলিফাই খাৰাংখাচকৈ আলী হাজামক কৈ দিলে।

আলীয়ে বাধ্যত পৰি গাধৰ গাত চাবোন লগাই খুৱাবলৈ ধৰাত ৰাজ-কৰ্মচাৰীবিলাকে আৰু অন্যান্যয়ো হো হো কৰে হাঁহিবলৈ ধৰিলে।

এই ঘটনাৰ অন্তত আলীক গাধৰ নাপিত বুলি কোৱা হ'ল আৰু তাৰ ওচৰলৈ কোনো নহা হ'ল।



বিৰাটতম হাঙৰ
অজোৰ্সত ১৯৭৮ চনত ধৰা পেলোৱা বিশাল বগা হাঙৰটো এতিয়ালৈকে পোৱা বিৰাটতম ; এই বগা হাঙৰটো ২৯ ফুট ৬ ইঞ্চি অৰ্থাৎ ৬ মিটাৰ দীঘল আৰু তাৰ ওজন হ'ল ১,০০০ পাউণ্ড, অৰ্থাৎ ৪৫৩৬ কিল'গ্ৰাম !

১৯৮৩ চনত সৃষ্টি হোৱা প্ৰশান্ত মহাসাগৰীয় ধুমুহা ইমানেই শক্তিশালী আছিল যে এই ধুমুহাই পৃথিৱীৰ গতি কিছুদিনৰ বাবে দিনে এক মিলি-ছেকেণ্ডৰ পাঁচ ভাগৰ সভাগকৈ হ্ৰাস কৰি পেলাইছিল।
যি ধুমুহাই পৃথিৱীৰ গতি হ্ৰাস কৰিব পাৰিছিল !


হাতীৰ দাঁত কিমান দীঘল ?
নিউইয়ৰ্ক জুলজিক্যাল ছ'চাইটিৰ দ্বাৰা প্ৰদৰ্শিত হাতীৰ দাঁত দুটা হ'ল অদ্যাপি নথিভুক্ত হাতীৰ দীৰ্ঘতম দাঁত। এই দাঁত দুটাৰ সোঁফালৰটোৰ দীঘ ১২ ফুট ৬ ইঞ্চি আৰু বাঁওফালৰটো ১১ ফুটীয়া !

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি বেংকৰ ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

---

১৯৯ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মৰম — ধৰম : দ্বিতীয় ফটো

পুৰস্কাৰ প্ৰাপক : বৰ্ণালী দেৱী, মথুৰাপুৰ, চিছ।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

Cuddles always say "I love you."

Show your little ones how much you love them! And is there a better way of doing that than giving them a huggable, cuddlable playmate?

Cuddles. From the people who have given children the delightful entertainer of a magazine, Chandamama. Cuddles. A whole new range of stuffed toys. And, your old favourites. And, cute surprises being introduced regularly. Each one a sweet, adorable companion to your child. Absolutely safe. Designed to withstand childhandling.

Well, the fun and excitement of the festive season is just round the corner. Make it memorable for your child with a special gesture. With a Cuddle.

- CUDDLES — Stuffed toys from Chandamama.
- SAMMO — Mechanical and electronic toys from Chandamama



CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Private Limited, Chandamama Buildings, Vadapalani, Madras - 600 026

from

THE HOUSE OF

CHANDAMAMA

Mudra M CTPL 4274

CUDDLES AND SAMMO TOYS WILL BE AVAILABLE AT ALL LEADING TOY OUTLETS EXCEPT IN THE STATES OF ASSAM, HIMACHAL PRADESH, MADHYA PRADESH AND NORTH EASTERN STATES

মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass